সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ০৫ সংখ্যা, ১৯ মাঘ, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ / ১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 05 Date Of Publication - 2 February 2025 Rs.10.00/-

## সংসদত দাখিল হ'ল নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন পূৰ্ণাংগ বাজেট



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰৰ একেৰাহে তিনিটা কাৰ্যকালৰ প্ৰথমখন সাধাৰণ বাজেট শনিবাৰে পুৱা ১১ বজাত দাখিল কৰে। একেৰাহে অষ্টমবাৰৰ বাবে অভিলেখ সংখ্যক বাজেট দাখিল কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণে বাজেট ভাষণ আৰম্ভ কৰে তেলেগু কবি, নাট্যকাৰ শ্ৰীগুৰজাড়া আপ্পাৰাওৰ আপ্তবাক্য 'এখন দেশ কেৱল ভূমি নহয়। এখন দেশ ইয়াৰ জনতাৰ।' এই আপ্তবাক্যৰে বাজেট ভাষণ আৰম্ভ কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটত বিকশিত ভাৰতৰ ৰূপৰেখা দাঙি ধৰা হৈছে বুলি মন্তব্য কৰে। বিকশিত ভাৰতৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত কৃষি, গ্ৰাম্য সমৃদ্ধি, নগৰ বিকাশ আৰু নগৰ শ্ৰমিকৰ বিনিয়োগক প্ৰাধান্য দি বাজেট প্ৰস্তুত কৰা হৈছে বুলিও কয় বিত্তমন্ত্ৰী সীতাৰমণে। দৰিদ্ৰ, যুব, অন্নদাতা আৰু মহিলাক প্ৰাধান্য দি দেশৰ সকলো প্ৰান্তৰ বিকাশৰ ধাৰণাৰে দাখিল কৰা বাজেটখনত মধ্যবিত্তক কৰ ৰেহাই চমকপ্ৰদ। দৰিদ্ৰতা নিৰ্মূলৰ বাবে বিভিন্ন আঁচনিৰ উপৰি যুৱচামৰ দক্ষতা বৃদ্ধি, সংস্থাপনৰ বাবে সিদ্ধান্ত আৰু মহিলাৰ সবলীকৰণৰ বাবেও কেইবাখনো আঁচনি ঘোষণা কৰা হৈছে। অনুসূচিত জাতি/অনুসূচিত জনজাতি, পিছপৰা সম্প্ৰদায়ৰ প্ৰথমবাৰৰ উদ্যোগী মহিলাৰ কাৰণে ২ কোটি টকাৰ ঋণৰ ব্যৱস্থাৰ প্ৰস্তাৱ লোৱা হৈছে। মধ্যবিত্তক ৰেহাইৰে দাখিল কৰা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ নিৰ্মল বাজেটত কৰৰ নতুন ব্যৱস্থা ঘোষণা কৰা হৈছে। মধ্যবিত্ত শ্ৰেণীক সকাহ দি মাহিলি এক লাখকৈ টকা উপাৰ্জন কৰা লোকে কোনো কৰ দিব নালাগে।

( দুই পৃষ্ঠাত চাওক)

## কেন্দ্ৰীয় বাজেটে অসমৰ বাবে নতুন দিগন্তৰ সূচনা কৰিছেঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- জনতা ভৱনস্থিত লোকসেৱা ভৱনত আয়োজিত এক সংবাদ মেলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংসদত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে উত্থাপন কৰা ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট সন্দৰ্ভত আলোকপাত কৰি কয় যে এইবাৰৰ বাজেটত দেশৰ মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্তক সকাহ প্ৰদান কৰি ১২ লাখ টকালৈকে আয়কৰ আদায়ৰ পৰা সকাহ দিয়া হৈছে। বাজেটখন ভাৰতৰ মধ্যবিত্তলৈ বৃহৎ সকাহ আখ্যা দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মাহে এক লাখ টকালৈকে দৰমহা পোৱা কৰ্মচাৰীয়ে কোনো আয়কৰ দিব নালাগে। তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ মাহিলি দৰমহা এক লাখ টকাৰ কম। সেয়ে তেওঁলোকে

( নপৃষ্ঠাত চাওক)

## ট্ৰেডিং কেলেংকাৰীৰ মাষ্টাৰমাইণ্ড দীপাংকৰ বৰ্মনৰ বিৰুদ্ধে চাৰ্জশ্বীট দাখিল



ৰঙিলী বাৰ্ত্তাসেৱা- ডিবি ষ্টক কনচালটেন্সীৰ কোম্পানীৰ জৰিয়তে ৪০০ কোটি টকা ট্ৰেডিং কেলেংকাৰী সংঘটিত কৰা কথিত মাষ্টাৰমাইণ্ড দীপাংকৰ বৰ্মনৰ বিৰুদ্ধে গুৱাহাটীৰ বিশেষ আদালতত অতিৰিক্ত অভিযোগনামা দাখিল কৰে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআয়ে। মহাপ্ৰৱঞ্চক

( দুই পৃষ্ঠাত চাওক)

## চলিত বৰ্ষত দীপৰ বিলত পৰিভ্ৰমী পক্ষীৰ সংখ্যা বৃদ্ধি



ৰঙিলী বাৰ্ত্তাসেৱা- বিগত বৰ্ষৰ তুলনাত চলিত বৰ্ষত দীপৰ বিলত পৰিভ্ৰমী পক্ষীৰ সংখ্যা বৃদ্ধি পাইছে। চলিত বৰ্ষত দীপৰ বিলত ১৬১টা বিভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী পক্ষীৰ উপস্থিতি ধৰা পৰিছে। এইবাৰ দীপৰ বিলত অভিলেখ সংখ্যক ১৭, ৬২৩টা

( দুই পৃষ্ঠাত চাওক)

## বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ধাৰ্য পুঁজি ৪৯৪০.০৫ কোটি টকা বৃদ্ধি



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে লোকসভাত দাখিল কৰা ২০২৫-২৬ চনৰ সাধাৰণ বাজেটত অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ১, ০৫, ৮৩৩.২৮ কোটি টকা ধাৰ্য কৰিছে। কেন্দ্ৰীয় বিভিন্ন মন্ত্ৰালয়ত উত্তৰ-পূৰ্বাঞ্চলৰ পৰা সুকীয়াকৈ ধাৰ্য কৰা এই ধনৰাশি যোৱা বছৰ অন্তৰ্বৰ্তী বাজেটত ধাৰ্য কৰা বাজেটতকৈ সামান্য বেছি। ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ১, ০০, ৮৯৩.২৩ কোটি টকা ধাৰ্য কৰিছিল। অৰ্থাৎ বিগত বৰ্ষৰ বাজেটতকৈ এইবাৰৰ বাজেটত

( নপৃষ্ঠাত চাওক)

# মহাকুম্ভমেলাত ভয়াৱহ অগ্নিকাণ্ড



ৰঙিলী বাৰ্তাসেৱা- উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলিত মহাকুম্ভমেলাত ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হয় মঙলবাৰে নিশা মৌনী অমাৱস্যাৰ অমৃত স্নানৰ প্ৰাকমুহূৰ্তত সংঘটিত হোৱা পদপিষ্টৰ আতংক মাৰ নৌযাওঁতেই এই ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হয়। মহাকুম্ভস্থলীৰ ছেক্টৰ ২২ত ভয়াৱহ অগ্নিকাণ্ডত ১৫টা শিবিৰ পুৰি ছাই হয়। অৱশ্যে অগ্নিনিৰ্বাপক বাহিনীৰ তৎপৰতাত এই অগ্নিকাণ্ড আৰু অধিক স্থানলৈ সম্প্ৰসাৰিত নহ'ল। অগ্নিকাণ্ডত কোনো লোক হতাহত হোৱা নাই। ইপিনে কুম্ভমেলাত ভিভিআইপি সংস্কৃতিৰ বাবেই সাধাৰণ জনতাই হাৰাশাস্তিৰ সন্মুখীন হোৱাৰ লগতে পদপিষ্টৰ লেখীয়া শোকাবহ দুৰ্ঘটনা সংঘটিত হোৱাৰ তীব্ৰ প্ৰতিক্ৰিয়াৰ পাছত উত্তৰ প্ৰদেশ চৰকাৰে মহাকুম্ভমেলাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। চৰকাৰৰ সিদ্ধান্ত অনুসৰি এতিয়াৰে পৰা কুম্ভমেলাত ভিভিআইপিৰ বাবে কোনোধৰণৰ পাছৰ ব্যৱস্থা নাথাকিব। ঠিক তেনেদৰে ভিআইপিৰ বাহনৰ ক্ষেত্ৰতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। অৰ্থাৎ বাহন পাৰ্কিং কৰাৰ বাবে বিশেষ ব্যৱস্থা নাথাকিব। মহাকুম্ভৰ দায়িত্বত থকা ডিআইজি বৈভৱ কৃষ্ণই প্ৰয়াগৰাজক ন' ভেহিকেল জ'ন ঘোষণা কৰাৰ লগতে ভিভিআইপিৰ কাৰণে কোনো বিশেষ পাছ নাথাকে বুলি সদৰী কৰিছে। ভক্তৰ চাল-চলনৰ বাবে ৱানৱে' ট্ৰেফিক ব্যৱস্থাৰো ঘোষণা কৰে। আনপিনে মহাকুম্ভমেলাত ভিআইপিৰ আগমনৰ ক্ষেত্ৰতো নিয়ম সলনি কৰা হৈছে। মহাকুম্ভমেলাত অমৃত স্নানৰ বাবে ভিআইপিৰ আগমন সংৰক্ষিত কৰা হৈছে। অহা ২ ফেব্ৰুৱাৰীত বসন্ত পঞ্চমী তথা তৃতীয় অমৃত স্নানৰ বাবে প্ৰয়াগৰাজত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰা হৈছে। নিৰাপত্তা বাহিনীৰ জোৱানৰ সংখ্যা বৰ্ধিত কৰাৰ লগতে কিছু কিছু অঞ্চলত নতুনকৈ সেতু মুকলি কৰা হৈছে। উল্লেখ্য যে মঙলবাৰৰ নিশা প্ৰয়াগৰাজত অমৃত স্নানৰ বাবে ভক্তই হেতা-ওপৰা লগোৱাত পদপিষ্ট হৈ ৪০জনৰ প্ৰাণহানি হোৱাৰ লগতে ৭০জন আহত হৈছিল। ইয়াৰ পাছতে চৰকাৰে মহাকুম্ভমেলাৰ নিৰাপত্তাৰ বাবে কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

# চলিত বৰ্ষত দীপৰ বিলত

বিভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী চৰাই বিচৰণ কৰিছে। শেহতীয়াকৈ ছেভেন ৰেভছ ৰিছাৰ্চ ফাউণ্ডেচনে চলোৱা জৰীপত এই তথ্য পোহৰলৈ আহিছে। ২৪, ৩০ ডিচেম্বৰ, ৫, ১১ আৰু ১৭ জানুৱাৰীত ছেভেন ৰেভছ ৰিছাৰ্চ ফাউণ্ডেচনে বন বিভাগ, পাছপাৰা সমবায় সমিতি, বন্যবন্ধু, দীপৰ বিল সুৰক্ষা মঞ্চ, বাৰ্ডছ কাউণ্ট অৱ ইণ্ডিয়া, কটন বিশ্ববিদ্যালয়, ডনবস্ক' বিশ্ববিদ্যালয়, টাটা ইনষ্টিটিউট অৱ ছ'চিয়েল ছায়েঞ্চৰ সহযোগত এই জৰীপ চলাইছিল। প্ৰকৃতিপ্ৰেমী তথা যুৱ সমাজকৰ্মী প্ৰমোদ কলিতাই গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এক সংবাদ মেলত এই কথা সদৰী কৰে। সংবাদ মেলত তেওঁ কয় যে দীপৰ বিলৰ ৪.১ স্কোৱেৰ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত এই জৰীপ চলোৱা হৈছিল। বিগত বৰ্ষত দীপৰ বিলত ১৫৫টা বিভিন্ন প্ৰজাতিৰ চৰাইৰ উপস্থিতি পোৱা গৈছিল। উক্ত বৰ্ষত দীপৰ বিলত সৰ্বমুঠ ১১, ২৭১টা বিভিন্ন প্ৰজাতিৰ চৰাই পোৱা গৈছিল। উল্লেখ্য যে ২০০২ চনত ৪ হাজাৰ হেক্টৰ জলাশয়ৰ ভূমি হিচাপে স্বীকৃত ৰামছাৰ ছাইট দীপৰ বিলত অবাধ ভূমি বেদখল আৰু প্ৰদুষণৰ পৰিণতিত পৰিভ্ৰমী পক্ষীৰ সংখ্যা প্ৰতি বছৰে উদ্বেগজনকভাৱে হ্ৰাস পাবলৈ ধৰে। দীপৰ বিল আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত ২৭০ বিধ বিভিন্ন প্ৰজাতিৰ চৰাই দেখিবলৈ পোৱা গৈছিল। ইয়াৰ ভিতৰত ৭০বিধ প্ৰজাতিৰ চৰাই আছিল পৰিভ্ৰমী চৰাই। বিভিন্ন প্ৰজাতিৰ চৰাইসমূহৰ ভিতৰত পানীডুবি, দেওৰাজহাঁহ, ভেলা, পানীকাউৰী, কৈলাণ্ডী, দৈকলা, মণিয়ৰী, গোবগ, পানীবগ, বৰবগ, মাজুবগ, ৰাক চৰাই, আজান, কণামুচৰি, ইটাগুড়ীয়া, নলচুপি, মাহদলা, শামুকভঙা, বৰটোকোলা, হাড়গিলা, শৰালি, বৰশৰালি, ধৃতৰাজ, বনবীয়া পাতিহাঁহ, ঘিলাহাঁহ, ৰঙামুৰি হাঁহ, বামুণী হাঁহ, মটিয়া চিলনী, শগুন, মাছৰোকা, ডাউক, দলপোঙা, কামচৰাই, গংগাচিলনী, বালিমাহী আদি উল্লেখযোগ্য।

# সংসদত দাখিল হ'ল নৰেন্দ্ৰ মোদী

অৰ্থাৎ বছৰি ১২ লাখ টকা উপাৰ্জনকাৰীয়ে কৰৰ পৰা ৰেহাই পায়। ঠিক তেনেদৰে দৰমহাপ্ৰাপ্ত কৰ্মচাৰীয়ে ১২.৭৫ লাখ টকাৰ পৰা ৭৫ হাজাৰ টকা ৰেহাই পাব। ইপিনে নতুন কৰ ব্যৱস্থা অনুসৰি চাৰি লাখ টকালৈকে উপাৰ্জনকাৰীয়ে এটকাও কৰ দিব নালাগে। অৰ্থাৎ বাৰ্ষিক চাৰি লাখ টকা উপাৰ্জন কৰা লোকে কৰ দিব নালাগে। তেনেদৰে চাৰি লাখৰ পৰা ৮ লাখলৈকে উপাৰ্জনকাৰীয়ে ৫ শতাংশ, ৮ লাখৰ পৰা ১২ লাখলৈকে ১০ শতাংশ, ১২ৰ পৰা ১৬ লাখলৈকে ১৫ শতাংশ, ১৬ৰ পৰা ২০ লাখলৈকে ২০ শতাংশ, ২০ৰ পৰা ২৪ লাখলৈকে ২৫ শতাংশ আৰু ২৪ লাখৰ ঊৰ্দ্ধৰ উপাৰ্জনকাৰীয়ে ৩০ শতাংশ কৰ দিব লাগিব। মধ্যবিত্তক সকাহ দিয়া বাজেটখনত বিকশিত ভাৰতৰ নীতিৰ আধাৰত দৰিদ্ৰশূন্য, স্কুল শিক্ষাত এশ শতাংশ ভাল মান, উচ্চমানদণ্ডৰ বহনক্ষম স্বাস্থ্যসেৱা, সংস্থাপনৰ বাবে এশ শতাংশ দক্ষ শ্ৰমিক, অৰ্থনৈতিক কাৰ্যকলাপত ৭০ শতাংশ মহিলা আৰু কৃষকে দেশক বিশ্বৰ খাদ্যৰ ভঁৰাল হিচাপে গঢ়ি তোলাত প্ৰাধান্য দিয়া হৈছে। কৃষিখণ্ডৰ পৰা শিক্ষাখণ্ড, স্বাস্থ্যখণ্ডৰ পৰা ক্ৰীড়াখণ্ডলৈকে, প্ৰতিৰক্ষা খণ্ডৰ পৰা আন বহুতো খণ্ডত পূৰ্বৰ বাজেটতকৈ অধিক পুঁজি আবণ্টন দি দেশক বিকশিত কৰি তুলিবলৈ ৰূপৰেখা প্ৰস্তুত কৰা হৈছে। বিত্তমন্ত্ৰী সীতাৰমণে দাখিল কৰা কেন্দ্ৰীয় বাজেট ২০২৫-২৬ত মূল ব্যয় ৫০.৬৫ লাখ কোটি টকা। ইয়াৰে ৰাজহ সংগ্ৰহ ২৮.৩৭ লাখ কোটি আৰু ঋণ ৩৪.৯৬ লাখ কোটি টকা। বাজেটত বিত্তীয় ঘাটি জিডিপিৰ ৪.৪ শতাংশত সীমাবদ্ধ ৰখাৰ পৰিকল্পনা। লক্ষণীয় যে বাজেটত উল্লেখ কৰা মতে, বজাৰৰ পৰা ঋণ সংগ্ৰহ ১৪.৮২ লাখ কোটি টকা আৰু মূলধন ব্যয় ১১.২১ লাখ কোটি টকা (জিডিপিৰ ৩.১ শতাংশ)। কৃষি আৰু শিক্ষাখণ্ডত বাজেটখনত কেইবাটাও নতুন পৰিকল্পনা ঘোষণা কৰা হৈছে। শিক্ষাত এআই(AI)ৰ অন্তৰ্ভুক্তিৰে দেশত ৫টা ৰাষ্ট্ৰীয় এআই(AI)ৰ কেন্দ্ৰ স্থাপন কৰিব। চৰকাৰী বিদ্যালয়ত অটল টিংকাৰিং লেব, চৰকাৰী বিদ্যালয়সমূহত ব্ৰডবেণ্ড ইণ্টাৰনেট, আইআইটি উন্নীতকৰণৰ প্ৰস্তাৱ লোৱা হৈছে। আনহাতে স্বাস্থ্যখণ্ডত দেশৰ সকলো জিলাত ডে' কেয়াৰ কৰ্কট কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত লৈ ২০২৬ বৰ্ষত ২০০ কেন্দ্ৰ স্থাপন কৰিব। আনপিনে কৃষিখণ্ডত দেশৰ এশ কম উৎপাদনশীল গাঁৱক সাঙুৰি লৈ প্ৰধানমন্ত্ৰী ধন-ধান্য কৃষি যোজনা মুকলি কৰা হ'ব। দাইলৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাৰ বাবেই চৰকাৰে নতুন অভিযান আৰম্ভৰ ঘোষণা কৰিছে। শাক-পাচলি আৰু ফল-মূলৰ কাৰণেও এক কাৰ্যসূচীৰ সিদ্ধান্ত লৈছে বাজেটত। বিহাৰত মাখনা ব'ৰ্ড গঠনৰ ঘোষণা কৰা হৈছে সীতাৰমণৰ বাজেটত। কৃষিৰ লগতে এমএছএমই বিনিয়োগ আৰু ৰপ্তানিত অধিক গুৰুত্ব দিয়া হৈছে। বাজেটখনত কৃষিক দেশৰ বিকাশৰ প্ৰথম ইঞ্জিন হিচাপে অভিহিত কৰাৰ বিপৰীতে এমএছএমইক দ্বিতীয়, বিনিয়োগক তৃতীয় আৰু ৰপ্তানিক চতুৰ্থ ইঞ্জিন হিচাপে ব্যাখ্যা কৰি বাজেটখনত এই বিষয় চাৰিটাত চৰকাৰে অধিক গুৰুত্ব দিছে। কৃষিৰ পৰা ৰপ্তানিলৈকে বিভিন্ন আঁচনি আৰু কাৰ্যসূচী গ্ৰহণ কৰিছে বাজেটত। আনপিনে কৰ্কটৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি বাজেটত কৰ্কটসহ বিভিন্ন ৰোগৰ ৩৬ জীৱনদায়িনী ঔষধত কৰ ৰেহাই দিয়া হৈছে। সংস্কাৰক ইন্ধন হিচাপে লৈ বাজেটত বিভিন্ন ক্ষেত্ৰত সংস্কাৰৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰতিৰক্ষা শিতানত অভিলেখসংখ্যক পুঁজি আবণ্টন দি বাজেটত দেশখনক প্ৰতিৰক্ষাত আত্মনিৰ্ভৰশীল হোৱাত গুৰুত্ব আৰোপ কৰা হৈছে। সশস্ত্ৰ বাহিনীক আত্মনিৰ্ভৰশীল আৰু অত্যাধুনিক প্ৰযুক্তিৰে শক্তিশালী কৰি তুলিবলৈ প্ৰতিৰক্ষা খণ্ডত বাজেটত ৬.৮ৰ লাখ কোটি টকা ধাৰ্য কৰা হৈছে। ইপিনে প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ জৰিয়তে দেশৰ অৰ্থনীতি সবল কৰাৰ সিদ্ধান্ত লৈ বাজেটত বীমাখণ্ডত এফডিআই ৭৪ শতাংশৰ পৰা এশ শতাংশলৈ বৃদ্ধি কৰিছে। উল্লেখ্য যে বিকশিত ভাৰতৰ লক্ষ্যৰে বাজেটত কৃষিৰ পৰা শিক্ষালৈ পুঁজি বৃদ্ধি কৰা হৈছে যদিও ৰে'ল, পৰিবহণ, বিজ্ঞান-প্ৰযুক্তিকে ধৰি আন কেইবাটাও খণ্ডত পূৰ্বতকৈ অধিক কম গুৰুত্ব দিয়া প্ৰতিফলিত হৈছে। কেন্দ্ৰীয় বাজেটৰ লগত একেলগে সাঙুৰি লোৱা ৰে'লৰ ক্ষেত্ৰত এইবেলি চৰকাৰে ২.৫২ লাখ কোটি টকা ধাৰ্য কৰিছে। ২০০ বন্দে ভাৰত ৰে'ল নিৰ্মাণতো অনুমোদন জনোৱা হৈছে। আন্তঃগাঁথনি সংস্কাৰক প্ৰাধান্য দি ৰাজ্য চৰকাৰসমূহৰ কাৰণে ১.৫ লাখ কোটিটকীয়া বিনামূলীয়া ঋণ প্ৰদান কৰা হ'ব। দেশৰ সকলো প্ৰান্তৰ ভাৰসাম্য বিকাশেৰে সবকা বিকাশ মন্ত্ৰক সাঙুৰি বিত্তমন্ত্ৰী সীতাৰমণে দাখিল কৰা সাধাৰণ বাজেটখনক ভূয়সী প্ৰশংসা কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। শাসকীয় বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰৰ সহযোগী দলসমূহে বাজেটখনক লৈ সন্তুষ্টি ব্যক্ত কৰাৰ বিপৰীতে কংগ্ৰেছসহ বিৰোধীয়ে বাজেটখনক লৈ অসন্তুষ্টি প্ৰকাশ কৰিছে। বিৰোধী দল কংগ্ৰেছৰ সাংসদ তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে এই বাজেটক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰি চৰকাৰে বিভিন্ন সুযোগ হেৰুৱালে বুলি সমালোচনা কৰে। লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে কয় যে বাজেটখন হৈছে গুলীৰ আঘাতৰ কাৰণে ব্ৰেণ্ড-এইড আৰু চৰকাৰ ধাৰণাত দেউলীয়া। অৰ্থনৈতিক সংকটৰ মাজত সমাধানৰ বাবে কোনো পথ নেদেখুৱালে বাজেটে। ইপিনে দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে কেন্দ্ৰীয় চৰকাৰক আক্ৰমণৰ লক্ষ্য কৰি লৈ কয় যে চৰকাৰে মধ্যবিত্ত শ্ৰেণী আৰু কৃষকৰ গৃহ ঋণ আৰু যান-বাহনৰ ঋণ হ্ৰাস কৰাৰ বাবে কোনো পদক্ষেপ নল'লে। দেশৰ কোষাগাৰৰ অধিকাংশ ধন কিছুসংখ্যক বিলিয়নাৰৰ ঋণ ৰেহাইতে ব্যয় কৰি আহিছে। তেওঁলোকে দাবী কৰিছিল যে বাজেটত কোনো বিলিয়নাৰৰ ঋণৰ ধন যাতে ৰেহাই নিদিয়ে। মধ্যবিত্ত শ্ৰেণীৰ গৃহ আৰু যান-বাহনৰ ঋণৰ ৰেহাইৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল। কৃষকৰ ঋণৰ ক্ষেত্ৰতো ৰেহাইৰ ঘোষণা কৰিব লাগিছিল। আয়কৰ আৰু জিএছটিৰ কৰ হ্ৰাস কৰিব লাগিছিল।

# ট্ৰেডিং কেলেংকাৰীৰ মাষ্টাৰমাইণ্ড

দীপাংকৰ বৰ্মনক সমগ্ৰ কেলেংকাৰিটোৰ অন্যতম মাষ্টাৰমাইণ্ডৰূপে অভিহিত কৰিছে চিবিআয়ে। ডি বি ষ্টক কনচালটেঞ্চীৰ স্বত্বাধিকাৰী দীপাংকৰ বৰ্মনৰ নেতৃত্বতে আন সহযোগী ক্ৰমে মনালিছা দাস, চবিন বৰ্মন, দীপালী তালুকদাৰ, মুকেশ আগৰৱালাকে ধৰি অন্যান্যসকলে ভুৱা বিনিয়োগ আঁচনিৰে ৰাইজক লুণ্ঠন চলাইছিল। ৰাইজক বিনিয়োগৰ বাবে উৎসাহিত কৰি কম দিনৰ ভিতৰতে অধিক লাভ দিয়াৰ আশাৰে ধন লুণ্ঠন চলাইছিল দীপাংকৰ বৰ্মন এণ্ড কোম্পানীয়ে। মহাপ্ৰৱঞ্চক দীপাংকৰ বৰ্মনৰ নেতৃত্বত ৪০০ কোটিতকৈও অধিক ধনৰ কেলেংকাৰি সংঘটিত হৈছিল বুলি অভিযোগনামাখনত উল্লেখ কৰিছে চিবিআয়ে। চিবিআয়ে ইতিমধ্যে ঘটনাটোত জড়িত মনালিছা দাস, চবিন বৰ্মন, দীপালী তালুকদাৰ আৰু মুকেশ আগৰৱালাৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছে। উল্লেখ্য যে ঘটনাটোৰ মাষ্টাৰমাইণ্ড দীপাংকৰ বৰ্মনৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰটোত চিবিআয়ে ভাৰতীয় দণ্ডবিধিৰ ১২০ বি নং ধাৰাৰ লগতে সহযোগী ধাৰা ৪০৯/৪২০/৪৭৭ এ ধাৰাৰ লগতে বাডছ আইনৰ ২৫/২১(১)২১(২)/২১(৩)/২৩ নং ধাৰাৰ লগতে আন কেইবাটাও অপৰাধযোগ্য ধাৰা আৰোপ কৰিছে।

# অসম আৰক্ষীৰ ভাৰপ্ৰাপ্ত সঞ্চালক প্ৰধান হিচাপে দায়িত্ব গ্ৰহণ কৰিলে হৰমীত সিঙে



ৰঙিলী বাৰ্ত্তাসেৱা- অসম আৰক্ষীৰ নতুন আৰক্ষী সঞ্চালক প্ৰধান হিচাপে দায়িত্ব গ্ৰহণ কৰিলে হৰমীত সিঙে। বুধবাৰে হৰমীত সিঙক এই দায়িত্ব প্ৰদান কৰে আই পি এছ বিষয়া তথা অসম আৰক্ষীৰ প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে। সপৰিয়ালে উলুবাৰীৰ অসম আৰক্ষী হেড কোৱাৰ্টাৰত উপস্থিত হৈ ৰাজ্যৰ DGP ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰে বিশেষ আৰক্ষী সঞ্চালক প্ৰধান হৰমীত সিঙে। ১৯৯২ চনৰ অসম-মেঘালয় কেডাৰৰ আই পি এছ বিষয়া হৰমীত সিং। উল্লেখ্য যে, সুদীৰ্ঘ ৩৪ বছৰ অসম আৰক্ষীত সেৱা আগবঢ়াই অসম ত্যাগ কৰিলে জি পি সিঙে। বুধবাৰৰ দিনটো জি পি সিঙৰ বাবে অসম আৰক্ষীত আছিল শেষৰটো দিন। বুধবাৰে সদ্যপ্ৰাক্তন ডিজিপিগৰাকীক অসম আৰক্ষীয়ে পেৰেডেৰে বিদায় সম্ভাষণ জনায়। অসম আৰক্ষীৰ ৮টাকৈ প্লাটুনে জি পি সিঙক এই সন্মান জ্ঞাপন কৰে। উল্লেখ্য যে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে শেহতীয়াকৈ জি পি সিঙক চিআৰপিএফৰ সঞ্চালক ৰূপে নিযুক্তি দিছে। এই নিযুক্তি লাভৰ পাছতে ৰাজ্যৰ ডিজিপি পদৰ পৰা অব্যাহতি লোৱা জি পি সিঙৰ স্থানত স্থলাভিষিক্ত কৰা হৈছে শীৰ্ষ আৰক্ষী বিষয়া হৰমিট সিঙক। মন কৰিবলগীয়া যে বিগত দুটা বছৰত ডিজিপিৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত জি পি সিঙৰ নেতৃত্বত অসম আৰক্ষীত দেখা গৈছিল আমূল পৰিৱৰ্তন। কাহিলিপাৰাস্থিত চতুৰ্থ আৰক্ষী বেটেলিয়নৰ ছাউনীত শীৰ্ষ বিষয়াগৰাকীক জনোৱা এই বিদায় অনুষ্ঠানত পত্নী আৰু দুই কন্যাৰ সৈতে অংশ লৈ কিছু আৱেগিক হৈ পৰে জি পি সিং। বিদায়ী ভাষণত সদ্যপ্ৰাক্তন ডিজিপিগৰাকীয়ে কয়- মই যোৱাৰ পিছত যদি অসমৰ ৰাইজে মোক অসমৰ তোলনীয়া সন্তান হিচাপে ভাবে, মই বহু আনন্দিত হ'ম। তেওঁ কয়- অসম

(দহ পৃষ্ঠাত চাওক)

# মহাকুম্ভত পদপিষ্ট হৈ অতিকমেও ৩০জন ভক্তৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- মহাকুম্ভমেলাত মহাঅঘটন। 'মৌনী অমাবস্যা' উপলক্ষে উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত ত্ৰিবেণী সংগমত অমৃত স্নানৰ বাবে অগণন ভক্তৰ ভিৰে এক বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰে আৰু পৰিণতিত পদপিষ্টৰ দৰে শোকাৱহ দুৰ্ঘটনা সংঘটিত হয়। পদপিষ্টৰ এই শোকাৱহ ঘটনাত অতিকমেও ৩০জন অমৃত স্নান কৰিবলৈ হেতা ওপৰা লগোৱা ভক্তৰ প্ৰাণহানি ঘটাৰ লগতে আন ৬০জনৰো অধিক আহত হৈছে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, মঙলবাৰে মাজনিশা ১-২ বজাত 'মৌনী অমাবস্যা'ত স্নান কৰিবলৈ হাজাৰ হাজাৰ লোক সমবেত হয়। অমৃত স্নান কৰিবলৈ হেতা-ওপৰা লগাত বিশৃংখল পৰিস্থিতিৰ সৃষ্টি হয় আৰু ভিৰৰ হেঁচাত বেৰিকেড ভাঙি যায়। একেলগে ১০ হাজাৰ লোকে অমৃত স্নান কৰিবলৈ হেতা-ওপৰা লগোৱাত পদপিষ্ট হৈ অতিকমেও ৩০জন ভক্তৰ মৃত্যু ঘটাৰ লগতে আন ৬০জন আহত হৈছে। ইয়াৰে ২৫জনক ইতিমধ্যে চিনাক্ত কৰি পৰিয়ালৰ হাতত গতাই দিয়া হৈছে। আহতসকলক চিকিৎসালয়ত ভৰ্তি কৰোৱাই চিকিৎসা প্ৰদান কৰি থকা হৈছে। ১৪৪ বছৰৰ পিছত বিৰল ত্ৰিবেণী যোগ উপলক্ষে

(নপৃষ্ঠাত চাওক)

# মহাকুম্ভত পদপিষ্ট হৈ অসমৰ ভক্তৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰয়াগৰাজত চলি থকা মহাকুম্ভমেলাত মৌনী অমাৱস্যাৰ দিনা 'অমৃত স্নান' কৰিবলৈ গৈ পুৱতি নিশা পদপিষ্ট হৈ মৃত্যুক সাৱটিলে অসমৰ এগৰাকী ভক্তই। পদপিষ্ট হৈ মৃত্যুক সাৱটিলে হাইলাকান্দিৰ ৬৩বছৰীয়া ব্যৱসায়ী নীতিৰ ন পাল। হাইলাকান্দিৰ 'ওঁম ছুইটছ'ৰ স্বত্বাধিকাৰ নীতিৰঞ্জন পালে বুধবাৰে পুৱতিনিশা ত্ৰিবেণী সংগমত স্নান কৰিবলৈ যোৱাৰ সময়তে পদপিষ্ট হৈ প্ৰাণ হেৰুওৱাৰ বিপৰীতে তেওঁৰ পত্নী গায়ত্ৰী পাল গুৰুতৰভাৱে আহত হয়। সম্প্ৰতি গায়ত্ৰী পালৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। হাইলাকান্দি জিলাৰ আৰক্ষী অধীক্ষক লীনা দলেয়ে জানিবলৈ দিয়া মতে, নীতিৰঞ্জন পালৰ মৃতদেহ এলাহাবাদৰ পৰা শিলচৰলৈ বিমানযোগে অনা হ'ব। উল্লেখ্য যে নীতিৰঞ্জন পালে যোৱা সপ্তাহত পৰিয়ালৰ সৈতে প্ৰয়াগৰাজলৈ গৈছিল। প্ৰয়াগৰাজৰ মাধৱপুৰ অঞ্চলত আছিল

(নপৃষ্ঠাত চাওক)

# দেশৰ প্ৰথমখন ৰাজ্য হিচাপে উত্তৰাখণ্ডত কাৰ্যকৰী হ'ল ইউনিফৰ্ম চিভিল কোড



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ প্ৰথমখন ৰাজ্য হিচাপে উত্তৰাখণ্ডত বলবৎ হ'ল উমৈহতীয়া দেৱানী বিধি(Uniform Civil Code) চমুকৈ ইউচিচি। উত্তৰাখণ্ডত ইউনিফৰ্ম চিভিল কোড বলৱতেৰে ইতিহাস আৰম্ভ হ'ল। এতিয়াৰে পৰা উত্তৰাখণ্ডত সকলো ধৰ্মৰ ক্ষেত্ৰত সম আইন বলৱৎ হ'ব। বিধানসভা নিৰ্বাচনত বিজেপিয়ে দিয়া নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰিয়েই উত্তৰাখণ্ডত বিজেপি চৰকাৰ হ'লে দেশৰ প্ৰথম ৰাজ্য হিচাপে ইউচিচি বলৱৎ কৰিব। ইউচিচি বলৱৎ হোৱাৰ লগে লগে ৰাজ্যখনত সকলো ধৰ্মৰ আইনসমূহ এক হিচাপে গণ্য কৰা হ'ব আৰু বিবাহ, বিচ্ছেদ আৰু উত্তৰাধিকাৰী আদিৰ ক্ষেত্ৰত প্ৰভাৱ পৰিব। শাসক- বিৰোধীৰ বাক্-বিতণ্ডা, সমৰ্থন-বিৰুদ্ধাচৰণ আদিৰ মাজতো উত্তৰাখণ্ডত চৰকাৰে ইউচিচি গৃহীত কৰি অৱশেষত সোমবাৰৰ পৰা আনুষ্ঠানিকভাৱে বলৱৎ কৰিলে। ইউচিচি আইন অনুসৰি বিবাহ আৰু বিবাহ বিচ্ছেদ, উত্তৰাধিকাৰী, লিভ ইন ৰিলেচনশ্বিপ আৰু এনেধৰণৰ বিষয়ৰ ক্ষেত্ৰত এতিয়াৰে পৰা সকলো ধৰ্মৰ লোকে একে আইনৰ অংশীদাৰ হ'ব। সকলো ধৰ্মৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ কাৰণে বিবাহৰ বয়স একে হ'ব, বিবাহ বিচ্ছেদৰ ক্ষেত্ৰতো একেই নিয়ম বলবৎ হ'ব, তেনেদৰে বহু বিবাহ আৰু হালালা নিষিদ্ধ হ'ব। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে দেশত ইতিহাস সৃষ্টিৰে প্ৰথম ৰাজ্য হিচাপে ইউচিচি বলৱৎ কৰি কয়- উত্তৰাখণ্ডত আজিৰে পৰা ইউচিচি বলৱৎ হোৱাৰ লগে লগে সকলো নাগৰিকে সাংবিধানিক আৰু নাগৰিক অধিকাৰ একেই লাভ কৰিব। সকলো ধৰ্মৰ মহিলাই সমান অধিকাৰ লাভ কৰিব। ডেৰাডুনত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত ইউচিচি সম্পৰ্কীয় এটা প'ৰ্টেল মুকলি কৰাৰ লগতে ইউচিচিৰ নীতি-নিয়মসমূহো আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। লক্ষণীয় যে দেশত হিন্দু ধৰ্মৰ দৰে মুছলিম ধৰ্মৰ ক্ষেত্ৰত বিবাহকে ধৰি বিচ্ছেদ, উত্তৰাধিকাৰী আৰু লিভ ইন ৰিলেচনছত পৃথক আইন চলি আহিছে। ইউচিচিয়ে এনেধৰণৰ পৃথক আইন একেলগ কৰি দেশৰ

(নপৃষ্ঠাত চাওক)

# সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা সফলতাৰে উৎক্ষেপণ হ'ল জিএছএলভি-এফ১৫



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই চমুকৈ ইছৰোই অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ সতীশ ধাৱান মহাকাশকেন্দ্ৰৰ পৰা ১০০ সংখ্যক ৰকেট সফলতাৰে উৎক্ষেপণ কৰি ইতিহাস ৰচনা কৰিলে। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই চমুকৈ ইছৰোই বুধবাৰে পুৱা ৬.২৩ বজাত অন্ধ্ৰ প্ৰদেশৰ শ্ৰীহৰিকোটাৰ পৰা এনভিএছ-০২ কঢ়িয়াই অনা জিএছএলভি-এফ১৫(GSLV-F15) সফলতাৰে উৎক্ষেপণ কৰে। উল্লেখ্য যে, জিঅ'ছিংক্ৰোনাছ চেটেলাইট লঞ্চ ভেহিকেল বা জি এছ এল ভি এফ-১৫ হ'ল দেশীয় ক্ৰায়োজেনিক্স

(দহ পৃষ্ঠাত চাওক)

# পদ্মভূষণ সন্মানেৰে বিভূষিত নৃত্যাচাৰ্য যতীন গোস্বামীক অভিনন্দন জ্ঞাপন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- পদ্মভূষণ সন্মানেৰে বিভূষিত সত্ৰীয়া সংস্কৃতিৰ সাধক, নৃত্যাচাৰ্য যতীন গোস্বামীৰ মহানগৰীৰ নুনমাটিস্থিত বাসভৱনত উপস্থিত হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। বাসভৱনত উপস্থিত হৈ তেওঁ লাভ কৰা শেহতীয়া এই সন্মানৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নৃত্যাচাৰ্য যতীন গোস্বামীক অভিনন্দন জ্ঞাপন কৰে। সাক্ষাৎ কালত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই (দহ পৃষ্ঠাত চাওক)

# 'সুৰবাহিনী'ৰ তৃতীয় প্ৰীতিমিলন সমাৰোহ



ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্ব সঙ্গীতৰ বিশাল মঞ্চ হ'ল অতি উন্নত প্ৰযুক্তি সম্পন্ন 'ষ্টাৰমেকাৰ' এপ। এই ষ্টাৰমেকাৰ জগতততেই বিগত ১ আগষ্ট ২০২১ ৰ দিনা সুগায়িকা তথা অভিনেত্ৰী ৰুবী ভৰদ্বাজে কেইগৰাকীমান শিল্পীপ্ৰাণ ব্যক্তিৰ সহযোগত 'সুৰবাহিনী' নামেৰে এটি পৰিয়াল গঠন কৰে। অধিনায়িকা (দহ পৃষ্ঠাত চাওক)

# অৰুণাচলৰ পাহাৰৰ পৰা ৫০০ ফুট তলত পৰিল বাহন



ৰঙিলী বাৰ্ত্তাসেৱা- অৰুণাচল প্ৰদেশত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। অৰুণাচলৰ মায়'ডিয়ালৈ ফুৰিবলৈ গৈ দুৰ্ঘটনাত পতিত স্কৰ্পিঅ' বাহন। বৰফৰ মাজেৰে পাহাৰীয়ে ৰাস্তাৰে গৈ থকা অৱস্থাত নিয়ন্ত্ৰণ হেৰুৱাই এখন স্কৰপিঅ' বাহন পাহাৰৰ পৰা প্ৰায় ৫০০ ফুট দ' খাৰৈত বাগৰি পৰে। এই বাহনখনত মুঠ ৬ জনলোক আছিল। ঘটনাস্থলীতে এগৰাকী মহিলাসহ চাৰিগৰাকীৰ মৃত্যু হয়। আনহাতে, দুগৰাকী ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। জানিব পৰা মতে, ২৫ জানুৱাৰীত (দহ পৃষ্ঠাত চাওক)

# মাজুলী মহাবিদ্যালয়ৰ পৰিৱেশ কোষৰ বিশেষ কৰ্মশালা সম্পন্ন



ৰঙিলী বাৰ্ত্তাসেৱা- অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা পৰিষদৰ বিশেষ অৰ্থ সাহায্যেৰে মাজুলী মহাবিদ্যালয় পৰিৱেশ কোষৰ উদ্যোগত এখন এদিনীয়া বিশেষ কৰ্মশালা সম্পন্ন হয়। মহাবিদ্যালয়ৰ সত্ৰাধিকাৰ পদ্মকান্ত দেৱ গোস্বামী প্ৰেক্ষাগৃহত 'গোটা আৱৰ্জনাৰ ব্যৱস্থাপনা, কেঁচুসাৰ প্ৰস্তুতকৰণ আৰু বৰষুণৰ পানী সংৰক্ষণ' শীৰ্ষক বিষয় সন্দৰ্ভত অনুষ্ঠিত আজিৰ কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি জিলা কৃষি বিভাগৰ অৱসৰী উপ সঞ্চালক অৰুণ কুমাৰ পাঠকে কেঁচুসাৰ প্ৰস্তুতকৰণৰ পৰা লাভালাভ, মাজুলী মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ডঃ অৰূপ বুঢ়াগোহাঁয়ে গোটা আৱৰ্জনা ব্যৱস্থাপনাৰ গুৰুত্ব আৰু ভূগোল বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক আচাৰ্য মোহন দাসে বৰষুণৰ পানী সংৰক্ষণ তথা ব্যৱহাৰৰ (দহ পৃষ্ঠাত চাওক)

# আছুৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত সমীৰণ ফুকন



ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়া কাৰ্যসূচীৰে শিৱসাগৰৰ ৰংপুৰত অনুষ্ঠিত হৈছে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভা। আছুৰ সাধাৰণ সভাতে নিৰ্বাচন কৰা হ'ল নতুন সাধাৰণ সম্পাদকৰ নাম। আছুৰ নৱ নিৰ্বাচিত সাধাৰণ সম্পাদক হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ শিৱসাগৰ সাধাৰণ সভাৰ বিশাল প্ৰতিনিধি সভাই সমীৰণ ফুকনক মনোনীত কৰে। সমগ্ৰ অসমৰ ছাত্ৰ প্ৰতিনিধিৰ লগতে অসম তথা শিৱসাগৰৰ কেইবাশ দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে নৱনিৰ্বাচিত ছাত্ৰ নেতাজনক অভিনন্দনৰ লগতে শুভেচ্ছা জ্ঞাপন কৰে। সমীৰণ ফুকনৰ নেতৃত্বত অসমৰ পুৰণি ছাত্ৰ সংগঠনটোৱে এক নতুন গতি লাভ কৰিব বুলি আশা ব্যক্ত কৰে সকলোৱে। ১৯৭৯ আৰু ১৯৮৬ চনৰ পাছতেই সুদীৰ্ঘ তিনি দশকৰ পাছত শিৱসাগৰত অনুষ্ঠিত হোৱা আছুৰ সাধাৰণ সভাত শিৱসাগৰৰ এগৰাকী সন্তানে সাধাৰণ সম্পাদকৰ দৰে গুৰু দায়িত্ব লাভ কৰাত বিশেষভাৱে শিৱসাগৰীয়া ৰাইজে গৌৰৱ অনুভৱ কৰিছে। উল্লেখ্য যে সাধাৰণ সম্পাদকৰ দৰে গুৰু দায়িত্ব লাভ কৰা সমীৰণ ফুকনৰ জন্ম হয় ১৯৮৯ চনৰ ১৯ ছেপ্টেম্বৰত শিৱসাগৰত। শিৱসাগৰ চহৰৰ সমীপৱৰ্তী জয়সাগৰৰ জয়ানগৰ নিৱাসী তথা চাৰিং মণিৰাম দেৱান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তাৰাপ্ৰসন্ন ফুকন আৰু অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অঞ্জলি বৰুৱা ফুকনৰ পুত্ৰ সমীৰণ ফুকন ছাত্ৰাৱস্থাৰ পৰাই সদৌ অসম ছাত্ৰ সন্থাৰ লগত জড়িত। অষ্টম শ্ৰেণীত অধ্যয়নৰত সময়ত ২০০২-০৩ বৰ্ষৰ বাবে অসমৰ (দহ পৃষ্ঠাত চাওক)

# শিল্পী ৰাজীৱ শদিয়াৰ পৰিয়াললৈ ৫ লাখ টকাৰ আৰ্থিক সাহাৰ্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰয়াত শিল্পী ৰাজীৱ শদিয়াৰ পৰিয়াললৈ ৫ লাখ টকাৰ আৰ্থিক অনুদান প্ৰদান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ। কিছুদিন পূৰ্বে হৃদৰোগত আক্ৰান্ত হৈ মৃত্যুক সাৱতি লৈছিল জনতাৰ শিল্পী পৰিচিত ৰাজীৱ শদিয়াই। শদিয়াৰ মৃত্যুৰ পাছতে বিভিন্ন দল সংগঠনে চৰকাৰৰ ওচৰত তেওঁৰ পৰিয়ালবৰ্গলোকক সংস্থাপনৰ দাবী জনাইছিল। তাৰ মাজতে প্ৰয়াত শিল্পী ৰাজীৱ শদিয়াৰ পৰিয়াললৈ ৫ লাখ টকাৰ আৰ্থিক সাহাৰ্য প্ৰদানৰ কথা ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে। মুখ্যমন্ত্ৰীগৰাকীৰ হৈ চাবুৱাত এই কথা সংবাদ মাধ্যমক জনালে বিধায়ক বিনোদ হাজৰিকাই। বিধায়কগৰাকীয়ে কয় যে, প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াই অসমক লৈ গীত গাইছিল, তেওঁ অসমক ভাল পাইছিল। শদিয়াৰ মৃত্যুৰ সময়ত মুখ্যমন্ত্ৰী বিদেশত আছিল। এনে পৰিস্থিতিত, গণৰাজ্য দিৱসৰ সময়ত মুখ্যমন্ত্ৰীগৰাকী ডিব্ৰুগড়ত উপস্থিত হোৱাৰ সময়ত শদিয়াৰ বিধায়ক বলীন চেতিয়াই ৰাজীৱ শদিয়া সন্দৰ্ভত অৱগত কৰা হৈছিল। সেই সময়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজীৱ শদিয়াৰ পৰিয়াললৈ ৫ লাখ টকাৰ আৰ্থিক সাহাৰ্যৰ ঘোষণা কৰে। লগতে পৰিয়ালটোৱে ভৱিষ্যতে যাতে কোনো বিপদৰ সন্মুখীন নহয় তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলিও আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে, ভোগালীৰ উৰুকাৰ দিনটোতে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ বাবে আহিছিল এই দুঃখবৰ। তিনিচুকীয়াৰ ৰসবাৰী পৰ্যটন মেলাত গীত গাই থাকোতেই সকলোকে কন্দুৱাই কোনোদিনে গান গাব নোৱৰা এখন পৃথিৱীলৈ গুচি গৈছিল শিল্পীগৰাকী। ৰাজীৱ শদিয়াৰ অকাল মৃত্যুত আজিও ৰাজ্যত শোকাকুল পৰিৱেশে বিৰাজ কৰি আছে।



যোৱাখণ্ডৰ পৰা....

# অচলোৰ তেজ ৰঙা আকাশ

জ্যোতি খাটনিয়াৰ

মাতৃ বিয়োগ হৈছিল তেওঁৰ মাত্ৰ ৪ বছৰ বয়সত। মাহীয়েকে পৰিয়ালৰ দায়িত্ব চম্ভালিছিল। পত্নীৰ অকাল বিয়োগে মুন্খৰ দেউতাকক চিৰদিনলৈ হতাশাত ডুবাই ৰাখিছিল। পৰিয়ালত আৰ্থিক সংকটে দেখা দিছিল। সৰু ঘৰ এটাত, অতি সীমিত সুবিধাত পৰিয়ালটোৱে দিন পাৰ কৰিব লগীয়াত পৰিছিল। ইয়াৰ মাজতেই মৃত্যু হৈছিল মুন্খৰ বায়েক ছফি আৰু ভাতৃ এন্দ্ৰিয়াজৰ। মুন্খে পৰৱৰ্তী সময়ত লিখিছিল যে তেওঁ পৰিয়ালৰ পৰা উত্তৰাধিকাৰী সূত্ৰে মানৱ জাতিৰ দুটা ভয়ংকৰ শত্ৰু নিজৰ মাজত ওৰে জীৱন কঢ়িয়াই ফুৰিছিল। এটা আছিল মদ্যপানৰ প্ৰতি এৰাব নোৱাৰা আসক্তি আৰু আনটো হৈছে উন্মাদনা (insanity)। মুন্খৰ বিষণ্ণতা (Melancholy, ১৮৯১) আৰু জীৱন নৃত্য (the Dance of Life, ১৮৯৯) নামৰ ছবি দুখন তেওঁৰ এই বিশেষ মানসিকতাৰেই প্ৰতিফলন।

হতাশা, নিজৰ জীৱন চম্ভালি লোৱাৰ ক্ষেত্ৰত বাৰে বাৰে ব্যৰ্থতা আদি অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হ'লে মানুহে কেনে আচৰণ কৰে, তাক কোৱা টান। ওৰে জীৱন দুখ আৰু হতাশাৰে আবৰি থকা মানুহ এজনাই জীৱনটো কেনেদৰে চাব, নাইবা কিদৰে জীয়াই থাকিব সেয়াও কোৱা কঠিন। যন্ত্ৰণা, দুখ, হতাশা – এই তিনিটা বিষয়ৰ সৈতে মানুহৰ অস্তিত্ব জড়িত হৈ থাকে। পোৱা নোপোৱাৰ মাজত ডুলি থাকে মানুহৰ পৃথিৱী। ক'ৰবাত যদি আনন্দ -উল্লাস, তাৰ অলপ পাছতেই বিষাদৰ ছবিয়ে মানুহক আবৰি থাকে। এই কথাবোৰ নতুন নহয়। আজিৰ পৰা ২৫০০ বছৰৰ আগেয়ে গৌতম বুদ্ধই অতি গভীৰভাৱে এয়া চিন্তা কৰিছিল। তেওঁ জন্মতেই দুখ আছে বুলি ধৰি লৈ এই দুখৰ কাৰণ বিচাৰি উলিয়াইছিল। সেয়া আছিল তৃষ্ণা (desire) বা মানুহৰ আশা আকাংক্ষা। এই তৃষ্ণাক জীৱন-যন্ত্ৰণাৰ ঘাই শিপা বুলি ধৰি লৈ ইয়াক উৎখাত কৰাটোৱেই জীৱনৰ লক্ষ্য হোৱা উচিত বুলি বুদ্ধই স্পষ্ট কৰি দিছিল। গৌতম বুদ্ধই মানুহক মধ্যম পন্থা বাচি লবলৈ কৈছে। সকলো ধৰণৰ উগ্ৰতা পৰিহাৰ কৰি আৰু অন্তৰত কৰুণা ৰাখি যিজনা ব্যক্তিয়েই জীৱনত আগুৱাই যায়, তেৱেঁই মুক্তিৰ পথত খোজ দিয়ে বুলি বুদ্ধৰ শিকনিয়ে আমাক কয়। কিন্তু জীৱন পৰিক্ৰমাত সন্মুখীন হোৱা অভাৱনীয় অভিজ্ঞতাই মানুহক কিদৰে জোঁকাৰি যায়, সেয়া বুদ্ধই বিশদভাৱে বৰ্ণনা কৰাৰ হয়তো প্ৰয়োজন নাছিল। আজিৰ পৰা ২৫০০ বছৰৰ আগৰ জীৱন নিঃসন্দেহে আছিল সৰল আৰু অধিক সমৰ্পিত। প্ৰকৃতি আৰু মানুহৰ সান্নিধ্য, উৎপাদন ব্যৱস্থাৰ সৰলতা, পাৰস্পৰিক অন্তৰংগতা আদিয়ে মানুহক আভ্যন্তৰীণভাৱে হয়তো অধিক সমৃদ্ধ কৰি ৰাখিছিল। আধুনিক মানুহ এইসমূহ প্ৰীতিদায়ক অভিজ্ঞ তাৰ পৰা বঞ্চিত। অভাৱনীয় পৰিস্থিতিৰ পৰা হঠাতে উদ্ভৱ হোৱা ব্যাখ্যাতিত অভিজ্ঞতাই মানৱ আত্মাক জোঁকাৰি যোৱা, অৰ্থহীন কথাবোৰে অহৰহ মানুহক চুই থকা, লালসা আৰু কামনাই মানুহক খেদি খেদি একাষৰীয়া কৰি পেলোৱা ঘটনা আধুনিকতাৰ অন্যতম দিশ। উৎকণ্ঠা আৰু হতাশাই মানুহক নিৰন্তৰ খেদি থাকে। সদৰ্থক জীৱনৰ বাবে মানুহে অহৰহ নিজকে সাঁকিয়াই থাকিব লগীয়াত পৰে। যুক্তিৰ পৃথিৱীখনে সহজে মানুহক নৈতিকতাৰ পথ দিব নোৱাৰে। মানুহে নিজক প্ৰস্তুত কৰিব লগীয়া হয় – নিজৰ সীমিত জীৱন কালত এক অন্তহীন অন্বেষণৰ বাবে।

আমাক চেপি খুন্দি ৰখা এই পৰিবেশটো আটাইতকৈ অৰ্থবহভাৱে ধৰি ৰাখিছে এদভাৰ্ড মুন্খে। সুদূৰ অচলো চহৰত ঊনবিংশ শতিকাৰ অলি গলিবোৰত মুন্খে বিচাৰি উলিয়াইছে আধুনিক সভ্যতাৰ সংকট আৰু সি মানৱ আত্মাত গাঁঠি দিয়া সমস্যাবোৰক। ২৩ জানুৱাৰী ১৯৪৪ চনত মুন্খে পৃথিৱীক বিদায় জনালে। জীৱনত শেষ দিনটোলৈকে তেওঁ হতাশাৰ পৰা পৰিত্ৰাণ নাপালে। তেওঁৰ বহু ছবি হিটলাৰৰ নাজী বাহিনীয়ে নষ্টও কৰি পেলালে। কিন্তু তাৰ মাজতে মুন্খে সৃষ্টি কৰা প্ৰায় ৩০ হাজাৰৰো অধিক শিল্পকৰ্মই পৃথিৱীৰ প্ৰত্যেকজন মানুহৰ মনৰ কিবা নহয় কিবা এটা খবৰ দি গৈছে।

মুন্খ আমাৰ বাবে সাত সাগৰ তেৰ নদীৰ মানুহ। তেওঁৰ নিজৰ ভাষাত, তেওঁৰ শিল্প কেৱল আত্ম -স্বীকাৰুক্তি (self- confession)। নিজৰ সৈতে নিজেই কথা পতাৰ যেন কেতবোৰ মূহুৰ্ত। মুন্খৰ মতে তেওঁ নিজৰ শিল্পকৰ্মৰ দ্বাৰা আৰু এটা কাম কৰিবলৈ চেষ্টা কৰিছে। সেইটো হ'ল তেওঁৰ কাম -কাজবোৰৰ মাজত আপোনাৰ -মোৰ দৰে মানুহ খিনিয়ে জীৱনৰ বাবে প্ৰয়োজনীয় সত্যক যাতে বিচাৰি পায়, তাৰ এটা বাট তেওঁ মুকলি কৰি দিছে। ড° বাণীকান্ত কাকতিয়ে অসমীয়া সাহিত্যত অন্তঃপ্ৰাণৰ ডায়েৰী শব্দ দুটা প্ৰথমবাৰলৈ ব্যৱহাৰ কৰিছিল। মুন্খৰ ছবিও তেওঁৰ অন্তঃপ্ৰাণৰ ডায়েৰী। বিশেষ কথাটো হ'ল এয়ে যে এই ডায়েৰী খন আমি সকলোৱে পঢ়িব পাৰো আৰু তাৰ পৰা দুটা কথা শিকি বুজি নিজকে সমৃদ্ধ কৰিব পাৰোঁ। ভগৱান বুদ্ধই যন্ত্ৰণা (suffering) ৰ পৰা ওলাই যোৱাৰ এটা বাট দিছে। এডভাৰ্ড মুন্খে আধুনিক মানুহক এই যন্ত্ৰণাৰ মাজেৰে জীয়াই থকাৰ আন এক শক্তি প্ৰদান কৰিছে। দুয়োটা দেখাত বেলেগ বেলেগ হলেও ইটো সিটোৰ পৰিপূৰক।

(বিশেষ কৃতজ্ঞতা: ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গুৱাহাটী কাৰ্যালয়ৰ অৱসৰী বিষয়া গজেন কলিতালৈ)

# নেকেড পৃথিৱী



শতাব্দী শৰ্মা, আমোলাপট্টী, নগাঁও

চচিয়েল মিডিয়াৰ আগ্ৰাসনে পৃথিৱী ছানি ধৰিছে। ফেচবুক, হোৱাটছএপ, এক্স হেণ্ডেলত নিতৌ নতুন নতুন চমক লগোৱা ভিডিঅ'ৰ পয়োভৰ। যুৱক -যুৱতী, সৰু ল'ৰা - ছোৱালী, বৃদ্ধ, মুনিহ - তিৰোতা সকলোৱে প্ৰতিভাৰ স্বাক্ষৰ পোৱা যায় এই ভিডিঅ'বোৰত। সকলোৱে দৃষ্টি নিবদ্ধ কৰিব পৰাকৈ এই ভিডিঅ'বোৰ প্ৰতি মূহুৰ্তত মোবাইলৰ স্ক্ৰীণত দৃশ্যমান। কিন্তু এইবোৰৰ মাজতে কিছুমান ভিডিঅ' দেখিলে মনত প্ৰশ্ন এটা উদয় হয় যে পৃথিৱীখন ইমান নেকেড হৈ পৰিছে কিয় ? যিকোনো মূহুৰ্তত হঠাৎ উদ্ভৱ হয় কিছুমান অশ্লীল দৃশ্য। অৰ্ধনগ্ন অৱস্থাত যুৱতী, মহিলাৰ নৃত্য নতুবা ব্যক্তিগত দৃশ্য। মোবাইল ব্যৱহাৰ কৰা মানুহৰ পৃথিৱীত অভাৱ নাই। সৰু ল'ৰা-ছোৱালী বেছিকৈ মোবাইলত ব্যস্ত হৈ থাকে। তেনেস্থলত শিশুসকলৰ মনত এইবোৰে বিৰূপ প্ৰভাৱ পেলাব পাৰে। বেয়া কথাবোৰ, বেয়া দৃশ্যবোৰ সিহঁতৰ সহজে চকুত পৰে, এইটো আটাইতকৈ বিপদজনক। এজন শিশুৰ চৰিত্ৰ গঠনত ই নেতিবাচক প্ৰভাৱ পেলায়। আজিকালি দুটামান লাইক, কমেণ্টৰ বাবে নাৰীসকলে ইমান তললৈ নামিব পৰা হৈছে যে ভাবিলেই আচৰিত লাগে। সংযম, লাজ, আত্মসন্মানৰ ইমানেই অভাৱ যে, তেওঁলোকে সকলো আওকাণ কৰি এনেকৈয়ে অসংযতভাৱে ভিডিঅ' বনাই নিজকে সমাজৰ আগত উদঙাই দিছে। মহিলা - যুৱতীৰ শৰীৰবোৰ পুৰুষৰ লোভনীয় কামাতুৰ অভিস্পাৰ পৰা বচোৱাৰ বাৰুকৈয়ে প্ৰয়োজন। আজিকালি হঠাৎ বলাৎকাৰ, যৌন উৎপীড়ন হয়, কিয় জানেনে? এই ভিডিঅ'বোৰৰ কাৰণে। পৃথিৱীৰ প্ৰত্যেকজন পুৰুষ বেয়া নহয়, কিন্তু এই ভিডিঅ'বোৰে তেওঁলোকৰ মাজৰ বহুতৰে বিবেক- বুদ্ধি ভ্ৰষ্ট কৰি তেওঁলোকৰ পৰা মানুহ নামৰ সত্বাটো উলিয়াই আনি কামাতুৰ পশুলৈ পৰিৱৰ্তন কৰে। একেবোৰ ভিডিঅ' প্ৰায়ে দেখি দেখি তেওঁলোকে সু-শৃংখলিত পোছাক পৰিধান কৰিলেও এগৰাকী যুৱতী বা মহিলাৰ শ্লীলতা হানিৰ চেষ্টা কৰে। ধৰ্ষণৰ দৰে কাণ্ড সংঘটিত হোৱাৰ নজিৰ পোৱা যায়। কণমানি ছোৱালী এজনীৰ পৰা আশী বছৰীয়া বৃদ্ধালৈকে এইবোৰৰ চিকাৰ হয়। নেকেড পৃথিৱীত ভিন্ন ভাৱমূৰ্তিৰ কি অবৰ্ণনীয় নিদৰ্শন! এই ভিডিঅ'বোৰ সৃষ্টিশীল হোৱাটো অতি প্ৰয়োজনীয়। নেতিবাচক দিশবোৰে সমাজখন ধ্বংস কৰে।

( ছয় পৃষ্ঠাত চাওক)


# Your Reflection

Udayan Chetia, Tezpur University



Your reflection  
Disturbs me.  
Why didn't you come  
To see me  
In this final moment of mine?  
I've lived all these days  
Looking at your reflection,  
But I can't go on anymore.  
Come and see me once,  
In these last days of mine.

# জীৱন



ৰিমাশ্ৰী কোঁচ, লক্ষীমপুৰ

অস্ত যোৱা বেলিটোৱে প্ৰশ্ন কৰিলে মোক
জীৱন মানে নো কি ?
হৃদয়ৰ মাজৰ পৰা উফৰি পৰিল
জীৱন এক মায়াময় কাহিনী।
জীৱন এক অনন্ত কবিতা
মাটি চাকিটোৰ দেখোন আজি নুমাওঁ নুমাওঁ শলিতা,
এন্ধাৰবোৰ বেয়া নাপাওঁ
কিন্তু ভয় কৰোঁ,
এই এন্ধাৰৰ ছাঁতে লুকাই থাকে
কত অমানৱীক কাৰ্যৰ ৰহস্যতা ...
হত্যা, ধৰ্ষণ, লুণ্ঠন ইয়াৰ তালিকাত।
তথাপি মানুহবোৰ জীয়াই থাকে
জীৱনে জীয়াই থাকিবলৈ বাধ্য কৰে,
কোনোবা কবিয়ে জীৱনৰ উপমা দিয়ে এইদৰে-
"এই জীৱন বৰ অনুপম"।
জীৱনো এক মায়া
আত্মাৰ পৰিতৃপ্তিৰ বাবে সৃষ্টি হোৱা ছয়া-ময়া ছায়া,
উন্মাদ মানৱৰ বুকুত ঢালি দিয়ে কামনা-বাসনাৰ ৰম্যধাৰা
জীৱনৰ আকাশত তিৰবিৰাই উঠে এটি দুটি তৰাৰ মায়াবী মৰীচিকা।
সময়ৰ লগে লগে জীৱনে ভটিয়াই
জীৱনৰ শলিতাডাল লাহে লাহে নুমাই যায়,
হেৰাই যায় জীৱন চাকি
ৰৈ যায় মাথোঁ স্মৃতি।
উদয় হয় ন-প্ৰভাতৰ ৰবি
আত্মাই লিখি উলিয়াই আন এখন জীৱনী ...
অ'...জীৱন
গৈ থাক...।

# একক

অভিজিত সোণোৱাল, ডিব্ৰুগড়



শূণ্যৰ পৰা আৰম্ভ হয় একৰ গণনাংক।
জীৱনৰ শেষ বেলাটো সৃষ্টি হয় একৰ সংখ্যা।
কোনোবাই জ্যামিতিৰ তুলাচনীৰে জুখে জীৱনৰ সমীকৰণ।
কোনোবাই মৰমৰ ভিক্ষাত মগন হৈ লিখে প্ৰাচীৰ পত্ৰিকা।
নহয় তেওঁ লেখক কিম্বা কবি।
তেওঁ নাজানে কবিৰ আবেগ কিম্বা কবিতাৰ বৈশিষ্ট্য।
লিখে তেওঁ কেৱল শূল কঢ়া বুকুৰ পাৰাপাৰহিন কথকথা।
প্ৰাচীৰ ঘাতত তেওঁ এজন নিথৰুৱা কবি।
বিৰহৰ নৈ কাষত বহি তেওঁ গণি থাকে সময়ৰ স্বাভাৱিক সংখ্যা।
বেলি ডুবালৈ বাট চাই তেওঁ হেঙুল আকাশ হেৰুৱাই সন্ধিয়াৰ
চকামকা তৰাবোৰলৈ।
ঠিকনা হেৰুৱা জোনটোলৈও যে তেওঁৰ কিমান চিন্তা!
তেওঁৰ অপেক্ষা কেৱল অকলশৰীয়া বাটত পোহৰ বিলোৱা
জোনটো।
আঙুলিৰ মূৰত হিচাপ গণা তৰাবোৰৰ পৰিধি কিমান তেওঁ নুবুজে!
তেওঁ মাথোঁ হ'ব খুজে আকাশ।

# আমি আমাৰ শৈশৱ হেৰুৱাই পেলাইছোঁ



নাচিমা য়াচমিন, বিশ্বনাথ চাৰিআলি

ভাত কেইটা নাকে মুখে গুজি এই যে সৰুতে পিঠিত কিতাপৰ বোজাৰ সৈতে বেগটি কঢ়িয়াই নিয়া হৈছিল। শিক্ষাগুৰুসকলৰ সকলো আদেশ মান্য কৰি পাঠদান গ্ৰহণ কৰি দুপৰীয়া বাৰ বজাৰ বেললৈ অপেক্ষা কৰা হৈছিল।

বিৰতিৰ অন্তত আকৌ শ্ৰেণীকোঠাত যোগদান। ছুটীত দৌৰা দৌৰি কৰি ঘৰলৈ উভতি অহাৰ দিনবোৰ আজিও চকুৰ আগত ভাঁহি ফুৰে। ৰাস্তাত আৰ্মীৰ গাড়ীবোৰ গৈ থকা দেখিলে যে আনন্দ মনেৰে বাই বাই দিয়া হৈছিল। কোনোবাই নামটো সুধিলে উত্তৰ দি কিবা এটা ভাল লাগিছিল।

ঘৰলৈ আহি ভাত এমুঠি খাই আবেলি পৰত সমনীয়াৰ লগত বিভিন্ন খেল ধেমালিৰ মাজত দিনবোৰ খুব সুন্দৰকৈ উকলি গৈছিল। আজি কালি এই খেলা বোৰ বিলুপ্ত হৈ গৈছে। চেঙ- গুটি, লুকা-ভাকু, টেকেলি ভঙা, ৰছী টনা, দৰা কইনা খেল আদি বহু খেল আমি সৰুতে প্ৰায় সকলোৱে খেলিছোহক।

মাৰ চাদৰখন লৈ শাৰী কৰি পিন্ধি কপালত এটি ফুট লৈ পুতলাটোক পোৱালী সজাই খেলা খেলবোৰৰ কথা আজিও মনত পৰিলে কমটি হাঁহি উঠেনে? সেই দিনবোৰেই ভাল আছিল। নাছিল কোনো চিন্তা, দুখ, হতাশা। কেৱল আনন্দৰ বন্যা।

পুৱাৰ কুঁৱলী ফালি চাইকেলেৰে টিউছন যোৱা দিনবোৰ আজিও বৰকৈ মনত খুন্দিয়াই। সকলো একেই আছে।

বছৰ শেষৰ ডিচেম্বৰ মাহ, কুঁৱলীৰ আৱৰণ। কেৱল সময় সলনি হৈ গৈছে। সময় অনুসৰি আমাৰ শৈশৱ কাল পাৰ হৈ গৈছে আমি ডাঙৰ হৈছোঁ। যান্ত্ৰিকতাৰে আমাৰ মনবোৰ বিষাক্ত হৈ পৰিছে।

অতীতৰ অইন একো মিছ নকৰিলেও মই হ'লে মোৰ শৈশৱ কালক বৰকৈ মিছ কৰোঁ। কিমান ভাল লগা আছিল দিনবোৰ। একেবাৰেই শান্তিপূৰ্ণ। যন্ত্ৰণাবিহীন।

মানুহৰ মুখৰ পিছ ফালে থকা মুখাটো চিনি নোপোৱা লৈকে আমি সৰু হৈ

(আঠপৃষ্ঠাত চাওক)

# অৱহেলা



বিপ্লৱ শইকীয়া,
যোৰহাট মহাবিদ্যালয় (একত্ৰিত),ইতিহাস বিভাগ

ৰহিম গাঁৱৰ ল'ৰা। সৰুৰে পৰা গাঁৱৰ ধূলি- বালি, বোকা- মাটি গছকি ডাঙৰ হোৱা ল'ৰা কিন্তু সি চাকৰি পোৱা বাবে চহৰত থাকিবলৈ ল'লে। ঘৰলৈ প্ৰায় সি কম অহা- যোৱা কৰে, ৰহিমে চহৰৰে এজনী সম্ভ্ৰান্ত ঘৰৰ ছোৱালী লগত বিবাহ পাশত আবদ্ধ হয়। ৰহিমৰ দেউতাকৰ গাটো কিছুদিন ধৰি বেয়া আছিল দেউতাকে ৰহিমক চাব বাবে তাক ঘৰলৈ আহিবলৈ বাৰে বাৰে কৈছিল কিন্তু ৰহিমে চাকৰিৰ ব্যস্ততাৰ বাবে ঘৰলৈ আহিব নোৱাৰিলে। দেউতাৰ মৃত্যু আগত শেষ বাৰৰ বাবে নিজ সন্তানক চোৱা যি হেঁপাহ আছিল সেই হেঁপাহ পূৰণ নোহোৱাকৈ পৃথিৱীৰ পৰা বিদায় মাগিল। ৰহিমৰ দেউতাকৰ মৃত্যুৰ পিছত মাকজনী একেবাৰে অকলশৰীয়া হৈ পৰিল। ৰহিমে দেউতাকৰ সকামৰ পিছদিনা এই চহৰলৈ যাবলৈ ওলোৱাত মাকে তাক ঘৰতে থাকিবলৈ কোৱাত ৰহিমৰ ঘৈনীয়েকে মাকক নানা অজুহাত দাঙি ধৰিছিল। ৰহিমে যদিও মাকক লগত লৈ যোৱা কথা চিন্তা কৰিছিল কিন্তু ৰহিমৰ ঘৈনীয়েকে মাকক এই বৃদ্ধ অৱস্থাত শুশ্ৰূষা কৰিব নোৱাৰোঁ বুলি ক'লে আৰু অৱশেষত দুয়ো মাকক বৃদ্ধা আশ্ৰমত ৰখা সিদ্ধান্ত লৈছিল আৰু মাকক এই কথা কোৱাত মাকে কৈছিল তাক - মোৰ শুন বহুত ডাঙৰ হ'ল।


# নেকেড পৃথিৱী

ভিডিঅ' বনাবলৈ বিষয়বস্তুৰ ইমানেই অভাৱ যে, নিজৰ শৰীৰ প্ৰদৰ্শনৰ প্ৰতিযোগিতা পাতে। ইউটিউব আৰু এক্স হেণ্ডেলত এনে নিষিদ্ধ ভিডিঅ' চকুত পৰে। নগ্ন মানৱতাবাদৰ এক ঘৃণনীয় চিত্ৰপট! সমাজখন গ্ৰাস কৰি এইবোৰে মানুহৰ মানসিকতাক ঘোলা কণীৰ দৰে কৰি পেলাইছে। ঠিক এটা ঘোলা কণীয়ে হাজাৰ ভাল কণী বেয়া কৰি পেলোৱাৰ দৰে! আধুনিক যুগত এনেকৈ অৰ্ধ নগ্ন হৈ ভিডিঅ' বনোৱাতকৈ আদিম যুগেই ভাল আছিল। সেই সময়ত গছৰ বাকলি পিন্ধি মানুহে লজ্জা নিবাৰণ কৰিছিল। লাহে লাহে মানুহবোৰে সভ্য সমাজত থাকিও নিজকে চৰম পৰ্যায়লৈ লৈ গৈছে! যি সঁচাই অনৰ্থক সস্তীয়া জনপ্ৰিয়তা লাভৰ এক বিভ্ৰান্ত প্ৰতিযোগিতা তথা বিসংগতিপূৰ্ণ মস্তিষ্কৰ ব্যৰ্থতা!




JANASANYOG- 4183/24/2-Feb-25

# যোৱা শতিকাৰ অসমীয়া ছবি জগত খুচৰি



**মুন শৰ্মা, লখিমপুৰ**

বৰ্তমান সময়ৰ অন্যতম এটি অতি জনপ্ৰিয় মাধ্যম হৈছে চিনেমা। শতিকা পুৰণি এই চিনেমা বোলা বস্তুটো আজিৰ বিশ্বৰ অন্যতম এটা প্ৰভাৱশালী উদ্যোগ ৰূপে চিহ্নিত কৰিব পাৰি। এফালে কলা আনফালে কাৰিকৰী কৌশল দ্বাৰা নিৰ্মাণ কৰা এই চিনেমা জগত খনত ভাৰতৰ এক উল্লখযোগ্য অৰিহণা আছে কাৰণ বৰ্তমান সময়ত কোনোবাই যদি সোধে সকলো কৈ অধিক চিনেমা কত বনোৱা হয় তেতিয়া তাৰ উত্তৰ হব ভাৰতত।

এই ভাৰতৰ পূৰ্ব দিশত অৱস্থিত অসমত ও চিনেমা বেছ জনপ্ৰিয় এই ৰাজ্যত হিন্দী ইংৰাজী আৰু অন্য ভাষাৰ চিনেমা প্ৰচলন থকাৰ উপৰি মাতৃভাষা অসমীয়াটো অসংখ্য চিনেমা আছে।

চনতো আছিল ১৯৩৫, অৰ্থাৎ ত্ৰিশ দশকত তেতিয়ালৈ সেই সময়ত পৰাধীন ভাৰতত চিনেমা নিৰ্মাণ আৰম্ভ হোৱা কেইটামান দশকহে হৈছিল, ঠিক তেনে সময়তে জয়মতী নামৰ এখন চিনেমা প্ৰস্তুত কৰি অসমক এই মানচিত্ৰত প্ৰবেশ কৰাইছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই। ইয়াৰ পাছতে তেখেতৰ প্ৰচেষ্টাত ইন্দ্ৰমালতী ৰূপে দ্বিতীয় খন অসমীয়া ছবি আছিল অসমীয়া চিনেমা লৈ ১৯৩৯ চনত।

চল্লিশ দশকত অসমীয়া চিনেমা নিৰ্মাণ হওঁতে হৈছিল কিন্তু নিয়মীয়া কৈ নিৰ্মাণ হোৱা নাছিল আৰু চিনেমা যিটো এটা ব্যৱসায় গতিকে ব্যৱসায়িক ভাৱে বিশেষ সফলতা লাভ কৰা নাছিল তাৰে মাজতে এই সময়ৰ শেষলৈ ছিৰাজ নামৰ এখন ছবি নিৰ্মাণ হৈছিল যিয়েই দিছিল অসমীয়া ছবিক নতুন মাত্ৰা দিছিল ছিৰাজ হল জয়মতীৰ পৰা সেই সময়লৈ নিৰ্মাণ হোৱা ছবি সমূহৰ ভিতৰত সকলোতকৈ সফল চিনেমা। উল্লেখ্য যে চল্লিশ দশকত নিৰ্মাণ হোৱা সতী বেউলা প্ৰথম ধৰ্ম মূলক অসমীয়া চিনেমা আৰু পাৰ ঘাট প্ৰথম আগতীয়া টিকট বুকিং নিয়ম হোৱা ছবি।

এই খিনিতে কব লাগিব যে, অসমীয়া চিনেমা এটা উল্লেখ যোগ্য দশক হ'ল ৬০ দশক কাৰণ অসমীয়া ছবিৰ অ নিয়মীয়া নিৰ্মাণ ধৰা ইয়াতে শেষ হৈছিল বুলি কব পাৰি কিয়নো এই সময়ৰ পৰাই অসমীয়া ছবিৰ এটা নতুন যুগ আৰম্ভ হয় নবৈ দশকলৈকে। ৫০ দশকত আৰম্ভ হোৱা অসমীয়া চিনেমা লৈ বিভিন্ন ৰাষ্ট্ৰীয় পুৰস্কাৰ বঁটাৰ ধৰা এই দশকত অব্যাহত থাকে লগে সৰ্বাধিক হিট ছবি এই সময়তে ছবি গৃহ লৈ আহে মুঠতে এই দশকক অসমীয়া ছবিৰ সোণালী যুগ বুলি আখ্যা দিব পাৰি। কৈ থলে ভাল হব যে এই দশকত অহা অন্যতম ছবি সমূহৰ ভিতৰত কেইখন মান ছবি হ'ল - ইটো সিটো বহুটো, ডক্তৰ বেজবৰুৱা, চিকমিক বিজুলি আদি।


৭০ দশকত অসমীয়া ছবিলৈ প্ৰথম ৰঙীন কথাছবি প্ৰবেশ কৰে ছবি খনৰ নাম ভাইটি, দৰ্শকৰ সঁহাৰি ফলত সফলতাৰ শীৰ্ষত থকা এই সময়তে ভালে কেইজন প্ৰতিভাৱান ব্যক্তিৰ আবিৰ্ভাৱ হয় তাৰে ভিতৰত ভবেন্দ্ৰ নাথ শইকীয়া অন্যতম ওপজা সোণৰ মাটি, চানেলি মেমচাব আদি দৰে চিৰসেউজ ছবি নিৰ্মাণ হোৱা এই দশক নিপন গোস্বামী, বিজু ফুকন বাবে ও বিখ্যাত হৈ ৰব।

আশী দশকৰ অহা লগে লগে অসমীয়া ছবিয়ে দেখে অন্য এক যুগ যিটো দুজন অসমীয়া পৰিচালক মুনিন বৰুৱা আৰু জাহ্নু বৰুৱাৰ সৃষ্টি কৰা। তেওঁলোকে এই সময়ৰ পৰাই ছবি নিৰ্মাণ কৰিব আৰম্ভ কৰি অসমীয়া ছবিক অসমীয়া মানুহৰ মনত সোণ হৈ জিলিকি থাকিব দিছিল। অসমীয়া ছবিয়ে প্ৰথম মহিলা ছবি পৰিচালক লাভ কৰিছিল ৮০ দশকত তেওঁৰ নাম আছিল সুপ্ৰভা দেৱী যিয়ে নয়নমণি নামৰ এখন ছবি পৰিচালনা কৰিছিল।

এতিয়া আহো নবৈ দশকলৈ। এই দশক অসমীয়া ছবিৰ কথা যদি কওঁ দুখ লাগে যে, ৬০/৭০ ত সৃষ্টি হোৱা অসমীয়া ছবিৰ যি সাফল্যৰ ধাৰা এই সময়তে শেষ প্ৰান্ত উপনীত হয় যাৰ পাছত বহু সময়লৈ অসমীয়া ছবিয়ে মাথোঁ শূন্যতা দেখিছে। মুনিন বৰুৱাৰ আৰু জাহ্নু বৰুৱাৰ যি সফলতা কঢ়িয়াই আনিছিল তাৰ বাহিৰে বিশেষ সফলতা অসমীয়া ছবিয়ে লাভ কৰা নাছিল ।

সঁচা কথা কবলৈ গলে ভাবিছিল আছিল অসমীয়া ছবি ভালপোৱা মানুহে এইয়া বেছি দিন নাথাকে আকৌ উভতি আহিব ছবি লৈ সু-দিন কিন্তু দুখৰ কথা ৯০ তে লগা অসুখ অসমীয়া ছবিৰ নতুন শতিকাৰ আৰম্ভণি একেই থাকিল, বহু বছৰৰ হৈ গল বাণিজ্যিক ছবিৰ মাষ্টাৰ বুলি গণ্য কৰা মুনিন বৰুৱাৰ বাদে অন্য সকলো বিফল হল অসমীয়া চিনেমাক আকৌ আগৰ দিন ঘূৰাই দিবলৈ। কিয় নোৱাৰিলে সেই বিষয়ে অন্য এটা লেখাত এদিন আলোচনা কৰিম।

## মানুহ লাগে



**মুন শৰ্মা, লখিমপুৰ**

সমগ্ৰ জীৱনৰ সমস্ত সময়,
মানুহক মানুহ লাগে,
নালাগে কত প্ৰতি দিনত জীৱনে,
এটি এটি পৃষ্ঠা সাজিব লাগে জীৱন ডায়েৰীত।
সুখ ভগাব দুখ প্ৰকাশত হাঁহিত, কান্দোনত,
খং বোৰ কৰিবা কাক ! মানুহ লাগিব,
প্ৰতিবাদ কৰিবা ক'ত, মানুহৰ লগতে,
হিংসা তাপত পৰিবলৈতো মানুহ লাগিব।
মৰম বোৰ উপচাই দিবলৈ কোনোবা জন লাগিব।
অভিমান বোৰ হিয়া উজাৰি দেখাবা কাক
মানুহ লাগিব ন !
হেৰুৱা সময় স্মৃতি যেতিয়া হ'ব,
নষ্টালজিক বুকুত উমলি ফুৰিবলৈতো মানুহ লাগিব।
মাত্ৰ মানুহ লাগিব,
শৈশৱ, কৈশোৰ, যৌৱন, বৃদ্ধকাল সকলোতে,
মানুহ লাগিব, মানুহ লাগিব মানুহ লাগিব।

# মানুহৰ সমস্যাবোৰ এক প্ৰত্যাহ্বান সময়ে আনে জীৱনৰ



**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

তুমি জীৱনটোক ভালপোৱা তেতিয়া হ'লে সময় হিচাপ কৰি খৰছ কৰিবা কাৰণ জীৱন সময়েৰে গঢ়া

-বেঞ্জামিন ফ্ৰেংকলিন।

এই বৈজ্ঞানিক জ্ঞানী ব্যক্তি গৰাকীৰ কথাষাৰ অৰ্থপূৰ্ণ। সময় এবিধ ডাঙৰ অস্ত্ৰ। এই সময়ে গতি নিৰ্ধাৰণ কৰে আমাৰ সকলোৰে জীৱনৰ। কাৰণ প্ৰত্যেক গৰাকী ব্যক্তিৰ জীৱনটো সুখ -দুখ নানা সমস্যাৰ দ্বাৰা পৰিপূৰ্ণ। এই সমস্যা বোৰ এক প্ৰত্যাহ্বান হিচাপে লৈ আগুৱাই যাব লাগে। অনুভৱ কৰো এই সমস্যা বোৰৰ পৰা অভিজ্ঞতা হয়। স্কুল কলেজৰ নিৰ্ধাৰিত পৰীক্ষাবোৰৰ পৰা আনুষ্ঠানিক শিক্ষা লাভ কৰো, সেই পৰীক্ষাবোৰত উত্তীৰ্ণ হ'লে এখন চাৰ্টিফিকেট পাওঁ এয়া এক মাপকাঠি।

কিন্তু জীৱনৰ সমস্যা বোৰৰ পৰীক্ষাত উত্তীৰ্ণ হ'লে কোনো চাৰ্টিফিকেট লাভ নকৰো সেয়া অভিজ্ঞতা বাস্তৱ পৰিস্থিতিৰ। এয়া এক অনানুষ্ঠানিক শিক্ষাৰ ভিতৰতে পৰে, জীৱনৰ একোটা ডাঙৰ ধুমুহাৰ দৰে এই সমস্যা বোৰৰ পৰা বহুত অভিজ্ঞতা জ্ঞানৰ সমল লাভ কৰিব পাৰি। এই অভিজ্ঞতাৰ ভিত্তিত ভৱিষ্যতৰ আহিব পৰা সমস্যা সমূহৰ সাহসেৰে মুখামুখি হ'ব পাৰি। বিচলিত নহৈ ধীৰ স্থিৰ ভাৱে নিজকে সংযম কৰিলে উপায় পোৱা যায় কাৰণ সমস্যা থাকিলে সমাধানো থাকিব ।

# আমি আমাৰ শৈশৱ

থাকোঁ। কিন্তু লাহে লাহে মানুহক চিনি পোৱা হওঁ। সঁচা, মিচা, আচল নকলৰ মাজৰ পাৰ্থক্য খিনি বুজিব পাৰি। তেতিয়া বুজি লব যে আমি ডাঙৰ হৈ গৈছো। বুজিব পৰা ক্ষমতা বৃদ্ধি পাইছে।

আকৌ এবাৰ শৈশৱ জীৱনত উভতি যাব পৰা হ'লে, কেতিয়াও উভতি নাহিলো হয় এই ডাঙৰৰ জীৱন শৈলীত। প্ৰাপ্ত বয়স্ক জীৱন যান্ত্ৰিকতাৰে আবৰা। ইয়াত মানুহৰ আবেগ অনুভূতি বোৰ মূল্যহীন।

# বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ধাৰ্য

৪৯৪০.০৫ কোটি টকা বৃদ্ধি কৰা হৈছে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে দাখিল কৰা ২০২৫-২৬ বৰ্ষৰ সাধাৰণ বাজেটত অসমৰ বাবে সুখবৰটো হৈছে নামৰূপ সাৰ কাৰখানাত চলিত বিত্তীয় বৰ্ষত নতুন গোট স্থাপন কৰা হ'ব। বাজেট ভাষণত এই কথা সদৰী কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে বহু প্ৰতীক্ষিত চতুৰ্থ গোটটোৱে উৎপাদন কৰিব বছৰি ১২.৭ লাখ মেট্ৰিকটন ইউৰিয়া সাৰ। আনহাতে প্ৰতি বছৰৰ দৰে ২০২৫-২৬ বৰ্ষৰ সাধাৰণ বাজেটতো সীতাৰমণে অসমৰ চাহ শ্ৰমিকসকলৰ সামাজিক সুৰক্ষাৰ বাবদ ৬৬.৮৭ কোটি টকা আবণ্টন কৰিছে। কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰালয়ৰ বাবে ধাৰ্য কৰা হৈছে সৰ্বমুঠ ৫, ৯১৫ কোটি টকা। যোৱা বছৰৰ বাজেটত ধাৰ্য কৰা হৈছিল ৫, ৯০০ কোটি টকা। ড'নাৰ মন্ত্ৰালয়ৰ বাবে ধাৰ্য কৰা এই পুঁজিৰ পৰা উত্তৰ-পূব পৰিষদৰ আঁচনিসমূহৰ বাবে ব্যয় কৰা হ'ব ৮২২ কোটি টকা। উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনিত ব্যয় কৰা হ'ব ২, ৪৮১ কোটি টকা। অনুৰূপভাৱে পি এম ডিভাইন আঁচনিত ২, ২৯৬.৯৬ কোটি টকা ব্যয়ৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ড'নাৰ মন্ত্ৰালয়ৰ বাবে ধাৰ্য কৰা পুঁজিৰ পৰাই বড়ো, কাৰ্বি আৰু ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদসমূহৰ বাবে বিশেষ উন্নয়ন পুঁজি আগবঢ়োৱা হৈছে। লক্ষণীয়ভাৱে বড়োলেণ্ডৰ বাবে যোৱা বছৰ ধাৰ্য কৰা ১৭৪.৬৬ কোটি টকা এইবাৰ ৫০ কোটি টকালৈ হ্ৰাস কৰা হৈছে। কাৰ্বি আংলং আৰু ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদৰ বাবে ক্ৰমে ৫০ আৰু ১০০ কোটি টকা ধাৰ্য কৰা হৈছে। যোৱা বছৰ দুয়োখন স্বায়ত্তশাসিত পৰিষদৰ বাবে ক্ৰমে ৫০ আৰু ৬০ কোটি টকা ধাৰ্য কৰা হৈছিল। একেদৰে নৰ্থ-ইষ্ট ৰিজিঅ'নেল এগ্ৰিকালচাৰেল মাৰ্কেটিং কৰ্প'ৰেচন লিমিটেড, নৰ্থ ইষ্টাৰ্ন হেণ্ডিক্ৰাফ্টছ এণ্ড হেণ্ডলুমছ কৰ্প'ৰেচন ডেভেলপমেণ্ট আৰু নেডফিৰ বাবে ক্ৰমে ৫ কোটি, ৪৪.৫৮ কোটি আৰু ৮০ কোটি টকা ধাৰ্য কৰা হৈছে। ইপিনে কেন্দ্ৰীয় বিভিন্ন বিভাগ তথা মন্ত্ৰালয়ৰ ভিতৰত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ২০২৫-২৬ বিত্তীয় বৰ্ষত সৰ্বাধিক ১৯, ৪৯৯ কোটি টকা ধাৰ্য কৰা হৈছে। কৃষি আৰু কৃষক কল্যাণৰ বাবে ১৩, ৩৯৪.৪৬ কোটি আৰু কৃষি গৱেষণা আৰু শিক্ষাৰ বাবে ৬৫৪.১৮ কোটি টকা ধাৰ্য কৰা হৈছে। একেদৰে গ্ৰামোন্নয়ন শিতানত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে বিত্তমন্ত্ৰী সীতাৰমণে ৯, ০২৯.২২ কোটি টকা ধাৰ্য কৰিছে। বিদ্যালয় শিক্ষা আৰু উচ্চ শিক্ষাত ক্ৰমে ৭, ৪৯৭.৪৫ কোটি আৰু ৪, ০২০.৮৫ কোটি টকা ধাৰ্য কৰিছে। আনহাতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে৭, ৩০০.৭০ কোটি টকা ধাৰ্য কৰা হৈছে । পানীয় জল আৰু অনাময় ব্যৱস্থাপনাৰ বাবে ৬, ৮২৮.৫৯ কোটি টকা ধাৰ্য কৰা হৈছে। একেদৰে নাৰী আৰু শিশু কল্যাণত বিত্তমন্ত্ৰী সীতাৰমণে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ২, ৬১৫.৩৮ কোটি টকা ধাৰ্য কৰিছে। লক্ষণীয়ভাৱে অনুসূচিত জনজাতি অধ্যুষিত হিচাপে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ধাৰ্য কৰা হৈছে মাত্ৰ ১, ৪৯৮.৩৩ কোটি টকা। একেদৰে বানত জৰ্জৰিত অসম তথা উত্তৰ-পূৰ্বাঞ্চলক জলসম্পদ আৰু নদী উন্নয়নৰ নামত আবণ্টন দিয়া হৈছে মাত্ৰ ৪৯৭.৮৮ কোটি টকা। লক্ষণীয়ভাৱে যোৱা ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটত বিত্তমন্ত্ৰী সীতাৰমণে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ১, ০০, ৮৯৩.২৩ কোটি টকা ধাৰ্য কৰিছিল যদিও সংশোধিত বাজেটত প্ৰকৃততে ধাৰ্য কৰা হৈছিল ৮৭, ৭৩৫.৯৮ কোটি টকাহে। অনুৰূপভাৱে কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰালয়ৰ বাবেও যোৱা বছৰ বাজেটত ধাৰ্য কৰা হৈছিল ৫, ৯০০ কোটি টকা। পিছে সংশোধিত বাজেটত উক্ত পুঁজি হ্ৰাস কৰি আবণ্টন দিয়া হ'ল মাত্ৰ ৪, ০০৬ কোটি টকা।

# মহাকুম্ভত পদপিষ্ট হৈ অতিকমেও

মহাকুম্ভত 'মৌনী অমাবস্যা'ৰ দ্বিতীয় অমৃত স্নান আছিল বুধবাৰে। এই লৈ মঙলবাৰে মাজনিশাৰে পৰা স্নানৰ উদ্দেশ্যে হাজাৰ হাজাৰ লোক সমৱেত হোৱাত ১১ৰ পৰা ১৭ নম্বৰৰ খুঁটিৰ মাজত থকা বেৰিকেড ভাঙি পৰে আৰু এই শোকাৱহ দুৰ্ঘটনাটো ঘটে। এই পদপিষ্টৰ ঘটনাত ঘটনাস্থলীৰ পৰা উদ্ধাৰকাৰী দলে ৩০টা মৃতদেহ উদ্ধাৰ কৰাৰ লগতে কেইবাজনো আহতক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। এই ঘটনাটোৰ পাছতে ভক্তৰ মাজত হুৰাদুৰা লাগে আৰু যিয়ে যেনেকৈ পাৰে পলাবলৈ চেষ্টা কৰে। ফলত কেইবাজনো ভক্ত আহত হয়। এই শোকাৱহ ঘটনাটোৰ পাছতে ত্ৰিবেণী সংগমত অমৃত স্নান বাতিল কৰা হৈছে। কৰ্তৃপক্ষই মাইকযোগে ত্ৰিবেণী সংগমলৈ ভক্তক যাবলৈ বাধা দিয়ে আৰু গংগাৰ ঘাটসমূহতে অমৃত স্নান কৰিবলৈ আহ্বান জনায়। নিৰাপত্তা বাহিনীৰ তৎপৰতাত পৰিস্থিতি নিয়ন্ত্ৰণ কৰা বুলি প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। মুখ্যমন্ত্ৰীগৰাকী যোগী আদিত্যনাথে প্ৰকাশ কৰা মতে, বেৰিকেডৰ পৰা জঁপিওৱাৰ ফলতে কেইবাজনো লোক আহত হৈছে। এই শোকাবহ ঘটনা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰীগৰাকীক টেলিফোনযোগে বিতং তথ্য সংগ্ৰহ কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। কেন্দ্ৰই চৰকাৰক সকলো প্ৰকাৰে সহায়ৰ প্ৰতিশ্ৰুতি দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদপিষ্টৰ ঘটনাত প্ৰাণ হেৰুওৱা ভক্তৰ বিদেহ আত্মাৰ সদ্গতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। ইপিনে মহাকুম্ভমেলাত ভক্তৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ আকাশমাৰ্গেৰে হেলিকপ্টাৰেৰে নিৰীক্ষণ চলাই আছে। ইয়াৰ উপৰি ভক্তৰ সুৰক্ষাৰ বাবে এনএছজি আৰু অৰ্ধসামৰিক বাহিনী মোতায়েন কৰা হৈছে। মহাকুম্ভমেলাত পদপিষ্ট হৈ প্ৰাণহানি হোৱা ভক্তৰ প্ৰতিটো পৰিয়াললৈ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ২৫ লাখ টকা ক্ষতিপূৰণ হিচাপে ঘোষণা কৰিছে।

# দেশৰ প্ৰথমখন ৰাজ্য হিচাপে

জনসাধাৰণক একে অধিকাৰ প্ৰদান কৰিব। উল্লেখ্য যে ২০২২ চনত উত্তৰাখণ্ড বিধানসভা নিৰ্বাচনত বিজেপিয়ে দিয়া নিৰ্বাচনী প্ৰতিশ্ৰুতি মতেই বিধানসভাত ইউচিচি গৃহীত কৰে। ন্যায়াধীশ ৰঞ্জনা প্ৰকাশ দেশাইৰ নেতৃত্বত পাঁচজনীয়া কমিটীয়ে ইউচিচিৰ খচৰা প্ৰস্তুত কৰাৰ পাছত সেই খচৰাক লৈ বিভিন্ন পৰ্যায়ত আলোচনা কৰাৰ অন্তত ২০২৪ চনৰ ২ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী ধামীক ৭২৪ পৃষ্ঠাৰ খচৰা জমা দিয়ে। এই খচৰা ৪ ফেব্ৰুৱাৰীত কেবিনেটে অনুমোদন জনায় আৰু ৬ ফেব্ৰুৱাৰীত বিধানসভাত এই বিধেয়কখন উত্থাপন হয় আৰু পৰৱৰ্তী দিনটোতেই বিধেয়কখন গৃহীত হয়। ২৮ ফেব্ৰুৱাৰীত ৰাজ্যপাল লেফটেনেণ্ট জেনেৰেল গুৰমিত সিং (অৱসৰপ্ৰাপ্ত)অনুমোদন জনোৱাৰ পাছত ১১ মাৰ্চত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে স্বাক্ষৰ কৰে আৰু লগে লগেই এই ইউচিচি আইনত পৰিণত হয়। ২০২৫ চনৰ ২৭ জানুৱাৰীত ইউচিচি ৰাজ্যখনত বলবৎ হয়। এই আইন অনুসৰি সকলো ধৰ্মৰে বিবাহৰ বৈধ বয়স পুৰুষৰ ২১ আৰু মহিলাৰ ১৮ বছৰ। সকলো ধৰ্মৰ ক্ষেত্ৰত বহু বিবাহ আৰু হালালা নিষিদ্ধ হ'ল। হালালা হৈছে ইছলামিক বহু বিতৰ্কিত বিবাহ প্ৰক্ৰিয়া। লিভ ইন ৰিলেচনছৰ ক্ষেত্ৰত পঞ্জীয়ন বাধ্যতামূলক কৰা হৈছে। ইউচিচিৰ অধীনত স্বামী আৰু পত্নীয়ে বিবাহ বিচ্ছেদ কৰিব বিচাৰিলে একেই প্ৰক্ৰিয়া হ'ব। অৰ্থাৎ যি কাৰণত স্বামীয়ে পত্নীক বিবাহ বিচ্ছেদ কৰিব পাৰে সেই একেই কাৰণতেই পত্নীয়েও স্বামীক বিবাহ বিচ্ছেদ কৰিব পাৰিব।

# কেন্দ্ৰীয় বাজেটে অসমৰ

আয়কৰ আদায় দিব নালাগে। উদ্যোগত কৰ্মৰত বহুতেই আয়কৰ দিব নালাগিব। দেশৰ স্বাধীনতাৰ পিছত ৬০ বছৰ শাসনত থকা কংগ্ৰেছ দলৰ চৰকাৰে আয়কৰৰ ক্ষেত্ৰত এনেদৰে জনসাধাৰণক সকাহ দিব পৰা নাছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েহে প্ৰথমতে আয়কৰ আদায়ৰ সীমা পাঁচ লাখ টকালৈ বৃদ্ধি কৰে। পৰৱৰ্তী পৰ্যায়ত সাত লাখ টকালৈ বৃদ্ধি কৰে আৰু এতিয়া সেয়া ১২ লাখ টকালৈ বৃদ্ধি কৰিলে। উদ্যোগীকৰণৰ ক্ষেত্ৰতো এই বাজেটে বিশেষ ভাল খবৰ ৰাজ্যখনলৈ কঢ়িয়াই অনাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে 'এইবাৰৰ কেন্দ্ৰীয় বাজেটে অসমৰ বাবে নতুন দিগন্তৰ সূচনা কৰিছে।' প্ৰধানমন্ত্ৰীয়ে অসমৰ নামৰূপত প্ৰায় ১৫ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ ১২.৭ লাখ মেট্ৰিকটন উৎপাদন ক্ষমতাৰ ইউৰিয়া প্ৰকল্প স্থাপনৰ কথা ঘোষণা কৰিছে। ৰাজ্যৰ প্ৰগতিৰ বাবে ইমান বৃহৎ যুগান্তকাৰী সিদ্ধান্ত আগতে কোনো প্ৰধানমন্ত্ৰীয়ে ল'ব পৰা নাছিল। নামৰূপত স্থাপন হ'বলগীয়া এই সাৰ কাৰখানাটো সম্পূৰ্ণ নতুন সাৰ কাৰখানা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে ইয়াত ৰাজ্য চৰকাৰৰ ৪০ শতাংশ অংশীদাৰিত্ব থাকিব। সেইদৰে এই বাজেটত অসমৰ বান সমস্যা সমাধানৰ ক্ষেত্ৰত কেন্দ্ৰই নিৰন্তৰ সহযোগিতাৰ কথাও ঘোষণা কৰিছে। বাজেটখন সন্দৰ্ভত আলোকপাত কৰি মুখ্যমন্ত্ৰী গৰাকীয়ে শৰ্মাই কয় যে এইবাৰৰ বাজেটত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ ৯.৭ শতাংশ জিডিপি বিকাশৰ বিপৰীতে ১০.১ শতাংশ জিডিপি বিকাশ ধাৰ্য কৰা হৈছে। বিত্তীয় ঘাটি ৪.৮ শতাংশৰ পৰা ৪.৪ শতাংশলৈ হ্ৰাস কৰা হৈছে। মূলধনী ব্যয় যোৱাবাৰৰ ১০ লাখ কোটি টকাৰ পৰা ১১ লাখ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। সেইদৰে ভাৰত চৰকাৰে ১১ লাখ কোটি টকা ঋণ লৈ কেন্দ্ৰীয় চৰকাৰে বিভিন্ন উন্নয়নমূলক কামত ব্যয় কৰিব। ২০২৪-২৫ বৰ্ষত অসমে কেন্দ্ৰৰ পৰা ৪০ হাজাৰ কোটি টকা পুঁজি লাভ কৰাৰ বিপৰীতে এইবাৰৰ বাজেটত ৪৪, ৫০০ কোটি টকা ধাৰ্য কৰিছে। কেন্দ্ৰীয় চৰকাৰে সুদবিহীনভাৱে ৫০ বছৰৰ বাবে ৰাজ্য চৰকাৰক যি ঋণ দিয়াৰ ব্যৱস্থা আছে তাৰ বাবে এইবাৰৰ বাজেটত ডেৰশ লাখ কোটি টকা ধাৰ্য কৰিছে। ফলত ৰাজ্য চৰকাৰসমূহৰ মূলধনী ব্যয় বৃদ্ধি পাব। বাজেটখনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, সাৰ আৰু ৰসায়ন মন্ত্ৰী জে পি নাড্ডা, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসমবাসীৰ সপোনতকৈ দুখোজ আগুৱাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ বাবে কাম কৰিছে। আনহাতে, কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে বাজেটখনক কৰা সমালোচনাৰ উত্তৰ দি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে দেশৰ অৰ্থনীতিৰ ওপৰত ৰাহুল গান্ধীৰ জ্ঞান শূন্য। ইপিনে, এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত আৰু ৭৫ হাজাৰ যুৱক-যুৱতীক দুই লাখ টকাকৈ প্ৰদানৰ বাবে আবেদন কৰাৰ প'ৰ্টেল আনুষ্ঠানিকভাৱে মুকলি কৰে। ইতিমধ্যে যোৱা বছৰত চৰকাৰে এই আঁচনিখনৰ অধীনত ২৫ হাজাৰ যুৱক-যুৱতীক এক লাখ টকাকৈ প্ৰদান কৰিছে। বাকী ৭৫ হাজাৰক সেই ধন প্ৰদানৰ বাবে যোৱা বছৰত চৰকাৰে পঞ্জীয়নৰ ব্যৱস্থা কৰে আৰু আবেদনৰ বাবে প'ৰ্টেল মুকলি কৰি দিয়ে। সেইদৰে এই অনুষ্ঠানতে ৰাজহ বিভাগৰ দুটা গুৰুত্বপূৰ্ণ সংস্কাৰৰো পদক্ষেপ গ্ৰহণ কৰে। সম্পত্তিৰ লেনদেনৰ ক্ষেত্ৰত ডিডৰ প্ৰয়োজন হয়। পূৰ্বতে এই ব্যৱস্থা মেনুৱেল হৈ থকা বাবে বিভিন্ন ধৰণৰ খেলিমেলি পঞ্জীয়নৰ সময়ছোৱাত সংঘটিত হৈছিল। এনে অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখিয়ে ই ডিডৰ প্ৰক্ৰিয়া আৰম্ভ কৰে আৰু সমগ্ৰ প্ৰক্ৰিয়াটো ইলেক্ট্ৰনিক পঞ্জীয়ন হ'ব। একেদৰে ৰাজহ সম্পৰ্কীয় গোচৰ নিষ্পত্তিৰ ক্ষেত্ৰতো প'ৰ্টেলৰ ব্যৱস্থা কৰে। এতিয়াৰে পৰা ৰাজহ সম্পৰ্কীয় গোচৰৰ ক্ষেত্ৰত পঞ্জীয়নৰ পৰা ৰায়লৈকে সকলো প'ৰ্টেলত উপলব্ধ হ'ব।

# মহাকুম্ভত পদপিষ্ট হৈ

পৰিয়ালটো। আহত গায়ত্ৰী পালে আৰক্ষীক জনোৱা অনুসৰি বৃহৎসংখ্যক ভক্তৰ সৈতে তেওঁলোকৰ পৰিয়ালটো সোনকালে ঘাটত উপস্থিত হোৱাৰ বাবে পুৱতিনিশা প্ৰায় ২.৩০ বজাত ৰাওনা হৈছিল আৰু তেতিয়াই পদপিষ্টৰ ঘটনা সংঘটিত হয়। নীতিৰঞ্জন পালক উদ্ধাৰ কৰি চিকিৎসালয়লৈ লৈ যায় আৰু চিকিৎসা গ্ৰহণ কৰি থকাৰ সময়তে তেওঁৰ মৃত্যু হয়।

# সতীশ ধাৱন মহাকাশ

প্ৰযুক্তিৰে তৈয়াৰ কৰা এক ত্ৰিস্তৰীয় ৰকেট। এই এন ভি এছ-০২ চেটেলাইটৰ ওজন প্ৰায় ২২৫০ কেজি। মাত্ৰ ১৯ মিনিটতে এই চেটেলাইটক জিঅ'ছিঙ্কোনাছ ট্ৰান্সফাৰ অৰবিট (জিটিঅ') বা স্থায়ী কক্ষপথত উপনীত কৰিবলৈ সক্ষম হয় জি এছ এল ভি এফ-১৫ ৰকেটে। উল্লেখ্য যে, ইয়াৰ পূৰ্বেও একাধিকবাৰে জি এছ এল ভি এফ-১৫ উৎক্ষেপণ কৰিছে ইছৰোৱে। কিন্তু এই ক্ষেত্ৰত সাফলতাতকৈ বিফলতাৰ সংখ্যা বেছি। এনে ১৬ টা উৎক্ষেপণৰ ভিতৰত এই পৰ্যন্ত ৬ টা অভিযানেই ব্যৰ্থ হৈছে। শতকৰা হিচাপত এই সংখ্যা ৩৭ শতাংশ। ইছৰোৰ এই অভিযানৰ সফলতা সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে কয়, " শ্ৰীহৰিকোটাৰ পৰা ১০০ সংখ্যক উৎক্ষেপণৰ ঐতিহাসিক কৃতিত্ব অৰ্জন কৰাৰ বাবে ইছৰ'ক অভিনন্দন । অভিলেখ সৃষ্টিৰ এই ঐতিহাসিক মুহূৰ্তত মহাকাশ বিভাগৰ সৈতে জড়িত হোৱাটো এক সৌভাগ্যৰ কথা । Team ISRO ই GSLV-F15 / NVS-02 mission ৰ সফল উৎক্ষেপণেৰে পুনৰবাৰ ভাৰতক গৌৰৱান্বিত কৰিছে।"

# পদ্মভূষণ সন্মানেৰে

সত্ৰীয়া নৃত্য বিশাৰদগৰাকীৰ সৈতে সত্ৰীয়া নৃত্যৰ প্ৰসাৰ আৰু প্ৰচাৰ সম্পৰ্কে বাৰ্তালাপ কৰে। সাক্ষাৎ কালত যশস্বী শিল্পীগৰাকীয়ে সত্ৰীয়া নৃত্যৰ প্ৰসাৰৰ দিশত কেতবোৰ পৰামৰ্শ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক দিয়ে। সত্ৰীয়া নৃত্যই যাতে দেশ আৰু বিদেশত আৰু অধিক প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিব পাৰে সেই দিশত যথাসম্ভৱ সকলো প্ৰচেষ্টা ৰাজ্য চৰকাৰে গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তেওঁক আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যশস্বী শিল্পী যতীন গোস্বামীৰ সু-স্বাস্থ্য আৰু দীৰ্ঘ কৰ্মময় জীৱন কামনা কৰে। আনহাতে সংবাদ মাধ্যমৰ সন্মুখত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি, চৰাইদেউ মৈদামলৈ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতিৰ পিছত যতীন গোস্বামীলৈ 'পদ্মভূষণ' সন্মান আগবঢ়োৱাটো অসমৰ বাবে গৌৰৱৰ বিষয়।

# 'সুৰবাহিনী'ৰ তৃতীয়

গৰাকীৰ নেৰানেপেৰা প্ৰচেষ্টাত বৰ্তমান ই বৃহৎ পৰিয়াললৈ ৰূপান্তৰিত হৈছে। যোৱা ২৫ জানুৱাৰীৰ দিনা পৰিয়ালৰ তৃতীয় প্ৰীতিমিলন সমাৰোহৰ আয়োজন কৰা হয় গনেশগুৰিৰ ডি কৰ্টিয়াৰ্ড হোটেলৰ সন্মিলনী কক্ষত। সৰস্বতী বন্দনা বন্তি প্ৰজ্বলনৰে অনুস্থানটিৰ শুভাৰম্ভ কৰা হয়। নিমন্ত্ৰিত কণ্ঠশিল্পীত্ৰয় শ্ৰদ্ধাৰ জে পি দাস, দ্বীপেন বৰুৱা আৰু নমিতা ভট্টাচাৰ্য্যৰ অংশগ্ৰহণ আৰু তেওঁলোকৰ জনপ্ৰিয় গীত সমূহৰ পৰিবেশনে এই অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। আনহাতে নিমন্ত্ৰিত প্ৰখ্যাত ঢোলবাদক দেবেশ্বৰ শইকীয়াৰ বিহু ঢোলৰ চেৱে সকলোৰে দেহমন ৰঙিয়াল কৰে। আমাৰ পৰিয়ালৰ ডিগবৈ লক্ষীমপুৰৰ পৰা ধুবুৰীলৈ ভিন্ন প্ৰান্তত সিঁচৰিত হৈ থকা উপস্থিত শিল্পী সদস্য সকলৰ প্ৰত্যেকেই গীত মাত পৰিৱেশন, নৃত্য প্ৰদৰ্শন কৰি দিনসটো সজীৱ সফল স্মৰণীয় কৰি তোলে। এইদৰে দিনযোৱা কাৰ্য্যসূচীৰে বিমল আনন্দ উপভোগেৰে সমাৰোহৰ সামৰণি হয়।

# অৰুণাচলৰ পাহাৰৰ

এই পৰিয়াল দুটা নুমলীগড়ৰ ঔ চাপৰিৰ পৰা অৰুণাচলৰ মায়দিয়ালৈ ফুৰিবলৈ গৈছিল। কিন্তু ২৬ জানুৱাৰীৰ সন্ধিয়া প্ৰায় ৪ মান বজাত তেওঁলোকৰ স্কৰপিঅ' বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই পাহাৰৰ পৰা প্ৰায় ৫০০ ফুট দ' গাঁতত বাগৰি পৰে। বাহনখনত আছিল পতি-পত্নী সুৰজ চেত্ৰী আৰু মীনা চেত্ৰী, আন এটা পৰিয়াল হৰিমায়া চেত্ৰী, ৰঞ্জিত চেত্ৰী আৰু সন্তান বৌছনী চেত্ৰী, লগত আছিল গাড়ী চালক মনোজ চেত্ৰী। এই ঘটনাৰ বিষয়ে অৱগত হোৱাৰ লগে লগে ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। নিশাই মাতৃ হৰিমায়া চেত্ৰী আৰু বৌছনী চেত্ৰীক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। জানিব পৰা মতে বৰ্তমান তেওঁলোকৰ অৱস্থা কিছু সুস্থিৰ। ইয়াৰ বিপৰীতে গাড়ীচালক মনোজ চেত্ৰীৰ মৃতদেহ আৰক্ষীয়ে উদ্ধাৰ কৰিছে আৰু আন ৩ জনক বিচাৰি উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। এনে ক্ষেত্ৰত পৰৱৰ্তী সময়ত মৃত্যুৰ সংখ্যা বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। এই সমগ্ৰ ঘটনাই পৰিয়াল দুটাৰ আত্মীয়ৰ মাজত শোকৰ ছা পেলাইছে। আত্মীয়ই জনোৱা অনুসৰি উদ্ধাৰ হোৱা মাতৃ হৰিমায়া আৰু কন্যাৰ অৱস্থা বৰ্তমান সুস্থিৰ। ইয়াৰোপৰি দুৰ্ঘটনাগ্ৰস্ত গাড়ীখনো আৰক্ষীয়ে উদ্ধাৰ কৰিছে। এই ঘটনা ইমানেই ভয়ংকৰ আছিল যে স্কৰপিঅ' বাহনখন সম্পূৰ্ণ ৰূপে নষ্ট হৈ আছে। এই সমগ্ৰ ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত আছে। তদন্তৰ অন্তত অন্য তথ্য পোহৰলৈ আহিব।

# অসম আৰক্ষীৰ ভাৰপ্ৰাপ্ত সঞ্চালক

আৰক্ষী, অসমৰ ৰাইজ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ মোক এই সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে। অসম আৰক্ষী সদায়ে মোৰ লগত আছিল আগবাঢ়ি যোৱাত। নতুন দায়িত্ব লাভ কৰিছোঁ, দেশৰ বাবে কি কৰিব পাৰোঁ সেই মনোভাবেৰে কাম কৰি যাম। মোৰ উন্নতিত মা কামাখ্যাৰ আশীৰ্বাদ আছে আৰু এই আশীৰ্বাদ লৈয়ে নতুন দায়িত্বলৈ যাব ওলাইছোঁ। যোৱা ৩৪ বছৰে অসমবাসী ৰাইজে মোক যি সহযোগ আৰু সহায়-আশীৰ্বাদ দিলে, তাৰ বাবে ৰাইজক ছেলুট জনাইছোঁ। জি পি সিঙৰ এই বিদায়ী পেৰেড অনুষ্ঠানত ৰাজ্যৰ গৃহ বিভাগৰ লগতে অসম আৰক্ষীৰ বহু শীৰ্ষ বিষয়া উপস্থিত থাকে। জি পি সিঙৰ অন্তিম দিনটোত তেওঁক বিদায় জনাবলৈ উপস্থিত হয় প্ৰতিখন জিলাৰ আৰক্ষী অধীক্ষক। সতীৰ্থ আৰক্ষী বিষয়াসকলক উদ্দেশ্যি জি পি সিঙে কয়- মোৰ কৰ্মভূমি অসম-অসমবাসীক সদায় মনত ৰাখিম। সন্ত্ৰাসজৰ্জৰ অসম আৰু বৰ্তমানৰ ক্ষণৰ স্মৃতি, অসম আৰক্ষীৰ কৰ্মক লৈ বহু অভিজ্ঞতা ভাষণ প্ৰসংগত দাঙি ধৰে জি পি সিঙে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পুৱাৰ ভাগতে জি পি সিঙৰ চৰকাৰী বাসগৃহত উপস্থিত হৈ বিদায় জনোৱাৰ লগতে আগন্তুক যাত্ৰাৰ বাবে জি পি সিঙক শুভকামনা জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জি পি সিঙক বিদায় জনাই লিখিছে- বিগত চাৰিটা বছৰত অসমত অভুতপূৰ্ব শান্তিৰ বাতাৱৰণ সৃষ্টি হৈছে। অপৰাধৰ হাৰ সৰ্বকালৰ নিম্নগামী স্তৰত উপনীত হোৱাৰ লগতে দোষী সাব্যস্ত হোৱাৰ হাৰো ক্ৰমাগতভাৱে উন্নতি হৈছে। অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙে অসমত এনে এক মাইলৰ খুঁটি স্থাপন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। 'কা' আন্দোলনৰ প্ৰত্যাহ্বানমূলক তথা অন্যান্য জটিল পৰিস্থিতিৰ সময়ত তেওঁৰ নেতৃত্বত অসমৰ সমাজ ব্যৱস্থাত এক গভীৰ প্ৰভাৱ পেলাইছিল। কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধান হিচাপে নতুন দায়িত্ব গ্ৰহণ কৰিবলৈ লোৱাৰ মুহূৰ্তত তেওঁৰ বাসগৃহত উপস্থিত হৈ ভৱিষ্যতৰ কৰ্মময় জীৱনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিলোঁ। জি পি সিঙক অগপ সভাপতি তথা মন্ত্ৰী অতুল বৰা আৰু কাৰ্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্তয়ো তেওঁৰ বাসগৃহত উপস্থিত হৈ বিদায় সম্ভাষণ জনায়।

# মাজুলী মহাবিদ্যালয়ৰ পৰিৱেশ

গুৰুত্ব সম্পৰ্কে বিশদভাৱে ব্যাখ্যা কৰে। উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী ইন্দিৰা বড়াই আঁত ধৰা অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয় পৰিৱেশ কোষৰ সমন্বয়ক ডঃ মহম্মদ আমিনুল ইছলামে। অনুষ্ঠানটোৰ উদ্বোধন কৰি দিয়া ভাষণত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই কয় যে প্ৰকৃতিক আমাৰ বাসোপযোগী কৰি লোৱাৰ দায়িত্ব আমাৰ সকলোৰে থাকিব লাগিব। তেওঁ লগতে পৰিৱেশ সচেতনতাৰ বীজ শিশু অৱস্থাতেই সমাজত ৰোপণ কৰিব লাগিব বুলিও বক্তব্য আগ বঢ়ায়। সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া আৰু ইংৰাজী বিভাগৰ জ্যেষ্ঠ সহযোগী অধ্যাপক অজয় প্ৰসাদ সিঙে ভাষণ প্ৰদান কৰে। মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, সহকাৰী অধ্যাপক ডঃ অনুপ কুমাৰ দলে, ডঃ জুলি গগৈ, ডঃ দিগন্ত হাতীবৰুৱা, কংকন বৰদলৈ, খাৰজানপাৰ ট্ৰাইবেল উচ্চ মাধ্যমিক বিদ্যালয়, কমলাবাৰী একাডেমী, গড়মূৰ পীতাম্বৰদেৱ উচ্চ বালিকা বিদ্যালয়, কানকুৰিকা উচ্চবুনিয়াদী বিদ্যালয়, গৰমূৰ পীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়, বেঙেনাআটী ৰমাকান্তদেৱ গোস্বামী উচ্চ মাধ্যমিক বিদ্যালয়, আউনীআটী উচ্চ মাধ্যমিক বিদ্যালয়, কেশৱৰাম বৰা উচ্চ মাধ্যমিক বিদ্যালয় আদি শিক্ষানুষ্ঠানৰ তত্ত্বাৱধায়ক শিক্ষকসকল প্ৰমুখ্যে প্ৰায় ডেৰশতাধিক শিক্ষাৰ্থী উপস্থিত থাকে। শেষত শলাগৰ শৰাই আগবঢ়ায় শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক বিজয় টিমুঙে।

# আছুৰ সাধাৰণ সম্পাদক হিচাপে

দ্বিতীয় পুৰণি শিক্ষানুষ্ঠান শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ আলোচনী সম্পাদক ৰূপে নিৰ্বাচিত হৈ প্ৰত্যক্ষ ছাত্ৰ ৰাজনীতিত প্ৰৱেশ কৰা সমীৰণ ২০০৩-০৪ বৰ্ষতো একেটা পদত দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হয়। ২০০৫ বৰ্ষত সদৌ অসম ছাত্ৰ সন্থাৰ স'তে পোনপটীয়াকৈ জড়িত হৈ জয়সাগৰত এটা প্ৰাথমিক গোট গঠন কৰি তাৰ সাধাৰণ সম্পাদক ৰূপে আছুৰ মজিয়াত যাত্ৰা আৰম্ভ কৰে। একাদশ শ্ৰেণীত অধ্যয়নৰত সময়ত ২০০৫-০৬ বৰ্ষত একেখন শিক্ষানুষ্ঠানৰ সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত হয়। কলেজীয়া দিনতো সক্ৰিয় ছাত্ৰ ৰাজনীতিত জড়িত হৈ শিৱসাগৰ কলেজ ছাত্ৰ একতা সভাৰ ২০০৭-০৮ আৰু ২০০৮-০৯ বৰ্ষৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হোৱাৰ উপৰি ২০০৯-১০ বৰ্ষত উপ-সভাপতি ৰূপে নিৰ্বাচিত হৈ একতা সভাৰ নিৰ্বাচনত একেৰাহে তৃতীয়বাৰৰ বাবে নিৰ্বাচিত হোৱাৰ অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। কলেজীয়া ছাত্ৰ হৈ থকা সময়তে ২০১০ বৰ্ষত শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হৈ ২০১৪ বৰ্ষলৈকে দায়িত্বত থাকি ২০১৪ বৰ্ষৰ শেষৰ ভাগৰ পৰা ২০১৬ বৰ্ষৰ জানুৱাৰীলৈ সভাপতিৰ দায়িত্বত আছিল। ২০১৬ বৰ্ষৰ জানুৱাৰীত বৰ্তমানৰ চৰাইদেউ জিলাসহ সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰূপে দায়িত্ব লৈ তাৰ পৰৱৰ্তী পৰ্যায়ত ২০২০ চনৰ অক্টোবৰ মাহত পুনৰ দ্বিতীয়টো কাৰ্যকালৰ বাবে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হয়। ২০২০ চনৰ নৱেম্বৰত সদৌ অসম ছাত্ৰ সন্থাৰ সপ্তদশ দুলীয়াজান অধিৱেশনত শিৱসাগৰ জিলাক প্ৰতিনিধিত্ব কৰি আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰূপে নিৰ্বাচিত হয়। ২০২২ বৰ্ষৰ ছেপ্টেম্বৰ মাহত আছুৰ সহকাৰী সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত হৈ ২০২৩ বৰ্ষৰ নৱেম্বৰত অনুষ্ঠিত অষ্টাদশ মৰিগাঁও অধিৱেশনলৈকে উক্ত পদবীত কাৰ্যনিৰ্বাহ কৰে। ২০২৩ বৰ্ষৰ নৱেম্বৰৰ পৰা ২০২৪ বৰ্ষৰ ডিচেম্বৰ পৰ্যন্ত আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰূপে থাকি পুনৰ সহকাৰী সাধাৰণ সম্পাদক নিৰ্বাচিত হয়। শিৱসাগৰ কলেজ, জয়সাগৰৰ পৰা ৰাজনীতি বিভাগৰ স্নাতক ডিগ্ৰীধাৰী ফুকনে পৰৱৰ্তীকালত সংযোগী শিক্ষাৰ অধীনত ৰাজনীতি বিজ্ঞান আৰু গণসংযোগ আৰু সাংবাদিকতা বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰাৰ উপৰি বৰ্তমান সমাজতত্ত্ব বিভাগৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ অন্তিম ষাণ্মাসিকৰ ছাত্ৰ। উল্লেখ্য যে এই প্ৰতিনিধি সভাখনত আছুৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চৰ্জুন হাগ্ধেক উপ-সভাপতি হিচাপে মনোনীত কৰাৰ লগতে সহকাৰী সাধাৰণ সম্পাদক হিচাপে তিনিচুকীয়াৰ সমৰ গোহাঁই, চৰাইদেউৰ অনুপ জ্যোতি ভুঞাক আৰু সাংগঠনিক সম্পাদক হিচাপে শোণিতপুৰ জিলাৰ নয়ন জ্যোতি গগৈক মনোনীত কৰা হয়। উক্ত সভাতেই নৱনিৰ্বাচিত সাধাৰণ সম্পাদক সমীৰন ফুকনক আনুষ্ঠানিকভাৱে দ্বায়িত্ব অৰ্পণ কৰে।

## ENGLISH NEWS SECTION

# Assam Governor inaugurates Project Yuva Bhagidari



Guwahati,RB News- Assam Governor Shri Lakshman Prasad Acharya inaugurated Project Yuva Bhagidari, organized by the National Cadet Corps (NCC) North Eastern Region, at the K.B.R. Auditorium in Cotton University here. Speaking on the occasion, Governor Shri Acharya said that India is a country, which is a symbol of unity in diversity, and the National Cadet Corps (NCC) further strengthens this bond of unity. Established in 1948, NCC has built its identity as a vast organization upholding the values of discipline, service, and patriotism. Shri Acharya also said that the journey of NCC has given a new direction to the lives of millions of young Indians. "I believe that NCC is not just an organization but a mission dedicated to the service of the nation. Today, as we speak of strengthening the foundation of Aatmanirbhar Bharat and New India, the role of NCC becomes even more significant", added the Governor. Shri Acharya expressed his happiness at the large number of cadets associated with NCC in Assam. He also shared happiness over the good number of cadets, nearly 18,000 female and 29,000 male who are giving NCC a fresh outlook. He highlighted the importance of Project Yuva Bhagidari in empowering youth and promoting nation-building.

# Assam Governor Lakshman Prasad Acharya Bids Farewell to Outgoing DGP G.P. Singh



Guwahati,RB News- Assam Governor Shri Lakshman Prasad Acharya gave a warm farewell to the outgoing Director General of Police (DGP) G.P. Singh at Raj Bhavan this evening. He congratulated him on his new assignment as the Director General of Central Reserve Police Force (CRPF). Shri Acharya expressed his appreciation for Singh's dedication to the state of Assam and wished him all the best in all his future endeavors. The Governor also lauded Singh's contributions to maintaining law and order in Assam. Singh, in his capacity as the DGP, worked tirelessly to ensure the safety and security of the people of Assam. The farewell programme was attended by the spouse of DGP Dr. Anamika Singh, Commissioner and Secretary to the Governor S.S. Meenakshi Sundaram along with the officers of Raj Bhavan.

# Governor attends 2nd convocation of Rabindranath Tagore university



Guwahati,RB News- Assam Governor Shri Lakshman Prasad Acharya attended the 2nd convocation of Rabindranath Tagore University at Hojai.Speaking on the occasion, Shri Acharya congratulated the students who received their degrees, emphasizing the significance of hard work, dedication for their academic success. He also took note of the support of the parents, guardians, and teachers which also play a vital role for the success of the students. The Governor expressed his happiness that most of the degrees awarded have been received by female students, with two out of three gold medal winners being women. He stressed the importance of equal opportunities for women and their participation in research and development for the region's social and economic development. Shri Acharya highlighted the university's role in making India a research and innovation hub. He hailed the implementation of the National Education Policy 2020 which is also acting as a catalyst to the growth of quality R&D. He emphasized the importance of education in holistic development, citing Gurudev Rabindranath Tagore's vision of education as a means of acquiring knowledge and complete development of personality.

# India defeated England by 15 run



RB News- India defeated England by 15 runs in the fourth T20I in Pune on Friday to take an unassailable 3-1 lead in the five-match series. It is India's fifth straight series victory against England in T20I cricket. With this, India have now registered their 17th unbeaten T20I series in a row at home.

# Virat Kohli felicitated by DDCA for completing 100 Tests



RB News- The Delhi & District Cricket Association (DDCA) on Friday felicitated former India captain Virat Kohli for completing 100 Test matches for India. DDCA President Rohan Jaitley presented Kohli with a shawl and a memento to recognize the batter's feat. Before the start of the ceremony, Kohli was seen touching the feet of his childhood coach Rajkumar Sharma.

# Shapoor Zadran announces retirement from international cricket



RB News- Afghanistan's left-arm seamer Shapoor Zadran, 37, has announced his retirement from international cricket. The tall and well-built paceman featured in 44 ODIs and 36 T20Is and claimed 80 wickets across two formats. Zadran, who last played for Afghanistan in March 2020, caught everyone's attention during the 2015 World Cup.

# নিজেই নিজক মুল্য দিবলৈ শিকক

শৈলেন কুমাৰ, মিৰ্জা

আমি বৰ্তমান এখন প্ৰতিযোগিতামুখী সমাজত বাস কৰি আছোঁ । ইয়াতে আমি কেনেদৰে ইজনে আনজনৰ ওপৰত প্ৰভুত্ব স্থাপন কৰিব পাৰোঁ তাৰেই প্ৰয়াস কৰি থাকো, কিন্তু অনুতাপৰ বিষয় প্ৰতিযোগিতাবোৰ এতিয়া হিংসামুখী হ'ল। প্ৰতিযোগিতাৰ বিষয় বস্তুবোৰো সলনি হ'ল, বৰ্তমানৰ প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বীসমূহ হ'ল ধন, জন, হিংসা, ঈৰ্ষা, কামুকতা,স্বাৰ্থ-পৰতা, ধনসম্পত্তি, অহংকাৰ, আত্মগৌৰৱ, নিকৃষ্ট ৰাজনীতি, ঘৃণনীয় চক্ৰান্ত, মানসিক বিকাৰ, ৰূপ সৌন্দৰ্য্য, ঐশ্বৰ্য, ঘৃণা, কুবুদ্ধি, কুচিন্তা, পৰচৰ্চা ইত্যাদি। চিন্তাশীল পৰিকল্পনাৰ বিপৰীতে ধ্বংসশীল মনোবৃত্তি, একতাৰ বিপৰীতে ভেদাভেদৰ ৰাজনীতি। আনহাতে নিস্বাৰ্থবাদী মানুহ-বোৰৰ মৰণ, জীয়াই জীয়াই জ্বলাই দিয়া হৈছে সেইবোৰ মানুহৰ চিন্তাশীল সুষ্ঠ সমাজবাদী চিন্তাধাৰাক। ব্যক্তিকেন্দ্ৰিক চিন্তাচৰ্চাৰ পয়োভৰত উৎশৃংখল হৈ পৰিছে আজিৰ সমাজ ব্যৱস্থা। আমি দ্ৰুতগতিত ধ্বংসৰ পিনে গতি কৰি আছোঁ, পৃথিৱী প্ৰকৃতি ধ্বংস আৰু বিনাশ হোৱাৰ পথত, আমাৰ কিন্তু



কাণসাৰ নাই। আমি নিজস্বতাত ব্যস্ত, ভুৱা এখন মুখা পিন্ধি, সভাইসমিতিয়ে গলত গামোচা পৰিধান কৰি, চলাই গৈছোঁ মিথ্যাচাৰী অপব্যাখ্যাৰে অপপ্ৰচাৰ চলোৱা কাৰ্য্যত ব্যস্ত । আমাক কোনে নিয়ন্ত্ৰণ কৰি আছে আমি নিজেই নেজানো। মিথ্যাচাৰ, ভ্ৰষ্টাচাৰ সকলোতে কেৱল অপপ্ৰচাৰ। আমি নিজক জয় কৰিব নোৱাৰোঁ তাৰবাবে আনক হেয় জ্ঞান কৰোঁ । নিজক মুল্য দিব নেজানো যাৰবাবে আনক বিশৃংখলতাৰ ফালে ঠেলি দিওঁ। আমি প্ৰত্যেকজনে বিফল ব্যক্তিত্বৰ অধিকাৰী, আমি জীৱনৰ প্ৰত্যেক ক্ষেত্ৰতে আৱৰ্জ্জ নাময়ী পৰিত্যক্ত গেলনীয় অপদাৰ্থ, আমি নিজক সহায় কৰিব নোৱাৰোঁ যাৰবাবে আনৰ সহায় বিচাৰি ফুৰোঁ। আপুনি নিজক মুল্য দিব শিকিলেহে কেতিয়াও পৰাজিত নহম।

অসম চৰকাৰ

ই-খাজনা
ভূমি ৰাজহ আদায় ব্যৱস্থাৰ সৰলীকৰণ

ভূমি ৰাজহ সংগ্ৰহ ব্যৱস্থা অধিক স্বচ্ছ, কাৰ্যকৰী তথা সুগম কৰাৰ লক্ষ্যৰে
ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, অসম চৰকাৰে জনসাধাৰণৰ বাবে লৈ আহিছে
অনলাইন আৰু অফলাইন মাধ্যমেৰে খাজনা পৰিশোধ ব্যৱস্থা

- পট্টাদাৰে অনলাইন আৰু অফলাইন দুয়োটা মাধ্যমেৰে খাজনা পৰিশোধ কৰিব পাৰিব
- পট্টাদাৰসকলে অনলাইন e-Khazna যোগে বা অফলাইন CFR যোগে আদায় দিব পাৰিব ভূমি ৰাজহ
- অনলাইন e-Khazna যোগে খাজনা পৰিশোধ কৰিব নোৱাৰা পট্টাদাৰৰ বাবে কৰা হৈছে এই ব্যৱস্থা
- কৰ্মসূত্ৰে বা আন কাৰণত বাহিৰত বসবাস কৰা পট্টাদাৰে অনলাইনযোগে e-Khaznaৰ জৰিয়তে ভূমি ৰাজহ আদায় দিব পাৰিব
- সকলো জিলাৰ সমূহ মৌজাদাৰ/ তহচিলদাৰৰ কাৰ্যালয়ত এই ব্যৱস্থা কৰা হৈছে

ভূমিৰ ৰাজহ
অনলাইন পৰিশোধ কৰিবলৈ
QR ক'ড স্কেন কৰক

আজিয়েই
আপোনাৰ ভূমি ৰাজহ
আদায় দিয়ক

JANASANYOG- 4186/24/2-Feb-25

মোবাইলৰ সহায়ত QR ক'ড স্কেন
ই-খাজনা প'ৰ্টেল
পে' (যদি ইতিমধ্যে পঞ্জীয়ন কৰা হৈছে) বা খাজনা আদায় দিবলৈ পঞ্জীয়ন কৰক

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, অসম চৰকাৰ
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286